চান্দমামা

মে ১৯৮৭

“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো...
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা...মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি...মোৰ গালত এয়া কিহৰ দাগ...ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত...নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে শালমন পৰিষ্কাৰ কৰাত সহায় কৰে আৰু ই বিয়পি পৰাটোও ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেচিল

শালমনৰ বিশেষগুণ যি সঁচাকৈয়ে প্ৰভাৱশালী

চুপাৰফাইটাৰ্চ!

তেওঁৰ বন্ধুগনে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও যাতে তেনে হয়। সেয়েহে মই সকৰ পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে দাঁত মাজিবলৈ—দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাকৈয়ে চুপাৰফাইটাৰ।"

দাঁতৰ ফাকত বৈ যোৱা খাদ্যকনাই ৰোগ-জীৱাণু জন্মাই আৰু তাত নিগৰিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু দাতৰো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ এচট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।

সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক দিছো ফৰহান্স কেয়াৰ। আপুনি তাৰ বাবে কি কৰিছে?"

ফৰহান্স

GM-113/86 Ass

শ্ৰী গৌতম গোস্বামী
১২/৬/৮৭

চান্দমামা

মে' ১৯৮৭

এই সংখ্যাত আছে

চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
সত্যতপ	:	১০
ভাল-অভাল	:	১১
ধৰ্ম-সংকট	:	১৬
জ্বালাদ্বীপ	:	১৯
দুই দেৱীৰ কাহিনী	:	২৭
মন্ত্ৰীৰ বুদ্ধি	:	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
মিছা কথাৰ ঠেং	:	৩৯
নথকাই ভাল	:	৪২
উত্তৰ-ৰামায়ণ	:	৪৩
জল-কুঁৱৰী	:	৫১
কলিযুগৰ কথকতা	:	৫৬
প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২'৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

No 'flip and discard' magazine

"An issue of The Heritage is generally read more than once by its readers... usually, read in depth. Over 90% of Heritage readers preserve their copy..."

from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম!** সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ **নম্বৰ** উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত।
বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS
P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এটি বিশেষ বিষয়লৈ চান্দমামাৰ পাঠক-পাঠিকাসকললৈ তথা চান্দমামাৰ ফটো নামকৰণ প্ৰতিযোগিতাত যোগদানকাৰীসকললৈ দৃষ্টি আকৰ্ষণ কৰা হৈছে। ফটো-নামকৰণ প্ৰতিযোগিতাত যোগদানকাৰী প্ৰতিযোগীসকলৰ মাজত বুজন সংখ্যকেই নিজৰ ঠিকনা সঠিকভাবে নিলিখাত, (১) কেতিয়াবা কেতিয়াৱা পুৰস্কাৰ পায়ো নোপোৱা হয়, (২) কেতিয়াবা পুৰস্কাৰৰ টকা উভতি আহে। ইয়াৰ প্ৰতিকাৰাৰ্থে—প্ৰতিযোগী সকলে যাতে সঠিক আৰু স্পষ্টভাৱে নিজ নিজ ঠিকনা লিখে, তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা হ'ল।

অমৰ-বাণী

মুখম্ পদ্মদলাকাৰম্ বাণী চন্দন শীতলা।
হৃদয়ম্ কৰ্তৰীতুল্যম্ ত্ৰিবিধম্ ধূৰ্তলক্ষণম্॥

[ধূৰ্তবিলাকৰ লক্ষণ তিনি প্ৰকাৰৰ। সিহঁতৰ মুখমণ্ডল পদুমৰ দৰে গোলাকাৰ হয়, মাত-বোল হয় চন্দনৰ দৰে স্নিগ্ধ কিন্তু সিহঁতৰ মনটো হয় ধৰাল কৈঁচীৰ দৰে টান।]

বছৰঃ ১২ মে' ১৯৮৭ সংখ্যাঃ ২

খনেঃ ২'৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০'০০ টকা

CHITRA

Mighty as the sword!

Make your mark...with
APOLLO PENCILS

The space age pencils with
super bonded lead, that doesn't break
Available with attractive printed designs

APOLLO PENCILS PVT LTD.,
107, Regal Industrial Estate,
Acharya Donde Marg, Sewree (West),
Bombay 400 015. Ph: 4133295/4133215

Distributors : GREATER BOMBAY **D. Jagjivandas & Company**, 177, Abdul Rehman Street, Bombay - 400 003. Ph. : 326524 MAHARASHTRA **A. Aalok & Company**, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay - 400 015. Ph. : 4133295/4133215 GUJARAT **N. Chimanlal & Co.** 'Jesmin' Building, Near Firdaus Flats, Khanpur, Ahmedabad 380 001. Ph. : 395198/399570 DELHI, HARYANA PUNJAB, J.K. & HIMACHAL PRADESH **Bharati Traders**, 89, Chawri Bazar, Delhi - 110 006. Ph. : 262854 KARNATAKA ANDHRA PRADESH & GOA **Sanghvi Corporation**, Suresh Bldg., No. 17, 4th Cross, Kalasipalayam, New Extension, Bangalore 560 002. Ph. : 225702 CALCUTTA & WEST BENGAL **Sanghvi Corporation**, 14/1/1A, Jackson Lane, 2nd Floor, Calcutta - 700 001. Ph. : 262141 UTTAR PRADESH **Sanghvi Corporation**, 7-A, Balmiki Marg, Kaisar Bagh, Lucknow - (U.P.) Ph. : 35095
TAMIL NADU **Sanghvi Corporation**, Bafna Complex, 1st Floor, 35, Strotten Muthia Mudaliar Street, Madras - 600 079. Ph. : 22304.
REST OF INDIA **Sanghvi Corporation**, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay - 400 015. Ph. : 4133295/4133215

3 Brothers/APL/88

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



সূৰ্য্যতকৈয়ো দহোগুণ

এক গৱেষণাগাৰে সূৰ্য্যতকৈয়ো দহোগুণ উত্তাপৰ সৃষ্টি কৰি বিশ্ব-ৰেকৰ্ড কৰিলে। নিউ জাৰ্চি প্ৰামছাৰ পদাৰ্থবিজ্ঞান লেবৰেটৰিত কেইগৰাকীমান বিজ্ঞানীয়ে নতুন পদ্ধতিৰে ২০০ মিলিয়ন ডিগ্ৰি চেল্ছিয়াছ উত্তাপ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

স্মৃতিৰ দুৱাৰ

মিছ গোৱয়ান্লিং নামৰ চীনদেশীয় মহিলা এগৰাকীয়ে যোৱা ছাব্বিছ বছৰ ধৰি টেলিফ'ন অপাৰেটৰৰ কাম কৰি আছে। তেওঁ ছাব্বিশখন নগৰৰ ১৫০০০ টেলিফ'ন নাম্বাৰ অনায়াসে কৈ দিব পাৰে। বেজিং নগৰত পতা এক প্ৰদৰ্শনীত বিভিন্ন ব্যক্তিৰ ফ'ন নাম্বাৰ কৈ তেওঁ শ্ৰোতাসকলক বিস্মিত কৰিব পাৰিছে। য়ান্লিঙে কেৱল বে'জিঙতে নহয়, দালিয়ন, হাৰবিন আদি নগৰতো প্ৰদৰ্শনী পাতি তেওঁৰ স্মৃতিৰ দুৱাৰ মুক্ত কৰি তাৰ শ্ৰোতাসকলক আনন্দ দিছে।

মোটৰ ছাইকেলতে ঘৰ

দিল্লীৰ সন্দীপকুমাৰ গুপ্ত দ্বাদশ শ্ৰেণীৰ ছাত্ৰ। কেইমাহমানৰ প্ৰচেষ্টাৰে সন্দীপে তাৰ মোটৰ ছাইকেলত টি ভি. ভি ছি আৰ, মিনি ৰেফ্ৰিজাৰেটৰ আৰু এটি কড লেছ টেলিফ'নো স্থাপন কৰি মোটৰ ছাইকেলটোকে এটা ঘৰলৈ ৰূপান্তৰিত কৰি লৈছে।

সত্যতপ

কোশলদেশত দেৱদত্ত নামৰ এগৰাকী ব্ৰাহ্মণ আছিল। বহুকাল ধৰি তেওঁৰ কোনো সন্তান লাভ নহৈছিল। এতেকে—এটি পুত্ৰসন্তান পোৱাৰ আশাৰে দেৱদত্তই গোবিল ঋষিৰ পৌৰোহিত্যত যজ্ঞ পাতিব বুলি স্থিৰ কৰিলে। যজ্ঞকালত গোবিল ঋষিৰ মন্ত্ৰোচ্চাৰণ যথেষ্ট স্পষ্ট নোহোৱাত দেৱদত্তই বিৰূপ মন্তব্য কৰাত গোবিল ঋষি ক্ৰুদ্ধ হ'ল আৰু তেওঁ ক'লে, "তুমি মোৰ মন্ত্ৰ উচ্চাৰণত ত্ৰুটি আৱিষ্কাৰ কৰিছা। যজ্ঞৰ ফলত তুমি সন্তান লাভ কৰিবা; কিন্তু সেই পুত্ৰসন্তান মূৰ্খ হওক—মই এই অভিশাপ দিছোঁ।"

অপৰাধ ক্ষমা কৰাৰ বাবে ব্ৰাহ্মণ দেৱদত্তই ঋষি গোবিলৰ আগত আঁঠু ল'লে। তেতিয়া ঋষিয়ে কোমল কাটি ক'লে, "তোমাৰ পুত্ৰ পণ্ডিত নহ'লেও কবি হিচাপে যথেষ্ট খ্যাতি আৰ্জিব।"

কিছুদিনৰ অন্তত দেৱদত্ত পুত্ৰৰ পিতৃ হ'ল। অলপ ডাঙৰ হোৱাৰ পাছত বিদ্যাভ্যাসৰ বাবে দেৱদত্তই তেওঁৰ পুত্ৰক টোললৈ পঠালে, কিন্তু তাত আনকি এটা আখৰ লিখিবলৈকো শিকিব নোৱাৰিলে, এটা শ্লোকও মুখস্থ কৰিব নোৱাৰিলে। সহপাঠীসকলে তাৰ এনে অৱস্থালৈ চাই হাঁহি-খিকিন্দালি কৰিছিল, মজা পাইছিল, সি অপমান অনুভৱ কৰিছিল। অপমানেৰে থকা-সৰকা হোৱা দেৱদত্তৰ পুত্ৰই গুৰুৰ আশ্ৰম তথা টোল এৰি গংগাৰ তীৰত কুটিৰ এটি সাজি, প্ৰতিদিন গংগাত স্নানাদি কৰি, সত্যপথ অৱলম্বন কৰি জীৱনযাপন কৰিবলৈ ধৰিলে। কিছুকালৰ পাছত মানুহে তাক সত্যতপ বুলি মাতিবলৈ ধৰিলে।

এদিন এজন ব্যাধে গাহৰি এটা চিকাৰ কৰিবলৈ গাহৰিটোৰ পিছ খেদি গ'ল। গাহৰিটোৱে পলাবলৈ বাট নাপাই সত্যতপৰ কুটিৰত সোমালহি। ব্যাধে সত্যতপক সুধিলেহি, "এটা গাহৰি আপোনাৰ কুটিৰত সোমাইছেহিনে? আপুনি দেখা পাইছেনে?"

সত্যতপে মিছা কথা নক'ব। কিন্তু সঁচা কথা ক'লেও ব্যাধে গাহৰিটোক মাৰি পেলাব। সত্যতপ দোমোজাত পৰিল। সত্যতপে ব্যাধক ক'লে :

"গাহৰিটোক দেখিছিল মোৰ চকুৱে
দেখা নাই বুলি ক'ব নিবিচাৰে মুখে।"

এই শ্লোক শুনি ব্যাধৰ হৃদয়ো পৰিৱৰ্তিত হৈ উঠিল। কিছুদিনৰ পাছত ব্যাধে আৰু চিকাৰ নকৰা হ'ল। এই ঘটনাৰ পাছৰেপৰাই সত্যতপ কবি হিচাপে খ্যাত হৈছিল।

ভাল-অভাল

শ্ৰীপুৰৰ ৰজা বিষ্ণুবৰ্মাৰ ৰাজ-সভাৰ ভাৰবীয়া আছিল ভদৰা। ভদৰা বোলা ভাৰবীয়াজন আছিল অতি ভাল। ভদৰাই কাৰো নিন্দা-দুৰ্নাম নকৰিছিল, কাকো বেয়া বুলি কদাপি নকৈছিল, সকলোতে সকলোকে ভাল বুলি কৈছিল।

এদিন ৰজাই ভদৰাক কথাই কথাই সুধিলে, "ভদৰা, মোৰ সম্বন্ধে তোমাৰ মনোভাব কি ক'বানে?"

ৰজাৰ এই প্ৰশ্নৰ উত্তৰ ভাৰবীয়া ভদৰাই ৰজাক ক'লে, "মহাৰাজ, কেতিয়াবা কেতিয়াবা মই ভাবোঁ যে—আপোনাৰ নিচিনা ভাল মানুহ এই পৃথিৱীখনতো বিচাৰি পাবলৈ নাই।"

ভদৰাৰ এই উত্তৰ যে ভালৰি বোলোৱা উত্তৰ, সেই কথা অনুধাৰন কৰি ৰজাই ভুৰু কোঁচাই ক'লে, "মোৰ—বেয়া একোৰেই নাইনে?"

"আপোনাৰ মাজত কি যে আছে—মই হ'লে ঠাৰৰ কৰিব পৰা নাই, মহাৰাজ। খং উঠিলে আপুনি কাৰোবাক কেতিয়াবা ককৰ্থনা নকৰা নহয়, কৰে; কিন্তু—কিন্তু মই এই কথালৈ লক্ষ্য নকৰাকৈ থকা নাই যে—তেতিয়াও আপোনাৰ অন্তৰখন লৰণুৰ দৰে হৈয়েই থাকে।"

ভদৰাৰ কথা শুনি ৰজাই ভাবি থাকিল: ভাল মানুহ—কাকনো বুলিব পাৰি? লৰণুৰ দৰে কোমল অন্তৰ বুলিলে কি বুজা গ'ল?

ৰাতিৰ পৰতে ৰজাই এই কথাষাৰ দ'কৈ চিন্তা কৰি থাকিল।

ৰজাক চিন্তাযুক্ত হৈ থকা দেখি

চন্দ্ৰনাথ চেতিয়া

ৰাণীয়ে তেওঁৰ চিন্তাৰ কাৰণ সুধিলে আৰু সকলো কথা শুনাৰ অন্তত ৰজাক ক'লে, "এইটোও এটা সমস্যা হ'লনে? কথাতে আছে—ভালে ভালক, জাবৰে খালক পায়। যিজনে কাকো কথাত বা কামতো কষ্ট নিদিয়ে—সেইজনেই হ'ল খাঁটি ভাল মানুহ।"

ৰাণীৰ কথাত ৰজাই সত্যৰ পোহৰ দেখা পাই স্থিৰ কৰিলে যে তেওঁৰ দেশত থকা প্ৰকৃত 'ভাল' লোকসকলক তেওঁ মান ধৰিব, উপহাৰ দিব, পুৰস্কাৰেৰে শলাগ ল'ব। ৰজাৰ কথা শুনি মন্ত্ৰী ভেবা লাগিল। ৰজাই ভবা ধৰণে 'ভাল' মানুহ ক'ৰবাত ওলাবনে? পিছে—ৰাণীৰ কথা মতে—বেয়া মানুহ যে কিমান সেই কথাৰ উমান এটা ল'ব পাৰি।

যি কি নহওক, কেইদিনমানৰ পাছত ৰজা আৰু মন্ত্ৰী ছদ্মবেশ ধাৰণ কৰি ওলাল। তেওঁলোকে কাৰ কাষ চাপিব, কাক পৰীক্ষা কৰি চাব—তাৰ এটা আঁচনি কৰি তেওঁ পোনে পোনেই ৰাজকবিৰ ঘৰলৈ বুলি আগবাঢ়িলে।

ছদ্মবেশী ৰজা আৰু মন্ত্ৰীয়ে আঁৰত থাকি ৰাজকবিৰ কথা তথা টিঞৰ-বাখৰ শুনি থাকিল। তেতিয়া ৰাজকবি কিবা কাৰণত ক্ৰুদ্ধ অৱস্থাত আছিল।

ৰজা আৰু মন্ত্ৰীয়ে ৰাজকবিৰ ঘৰৰ খিৰিকীয়েদি ৰাজকবিৰ পত্নীক অসুস্থ অৱস্থাত বিছনাত শুই থকা দেখা পালে; কবিৰ শিষ্য এজনে কবিক ৰূপৰ কাঁহীত খাদ্য পৰিবেশন কৰোঁতে কাঁহীত এটোপাল পানী থকা দেখি কবিৰ খং উঠিল আৰু শিষ্যজনক ক'লে, "কবি ইমান উজু নহয়, সাধনা লাগে বুইছা? তোমাৰ কবিতা শুনি প্ৰজাবৰ্গই প্ৰশংসা কৰাত তুমি বৰ অহংকাৰী হৈ উঠিছা। এই অহংকাৰেই তোমাৰ সৰ্বনাশ কৰিব। গুৰুৰ খাদ্য কঢ়িয়াই অনা কাঁহীখন গৰুৰ খাদ্যৰ নহয় কিয় কাঁহীত পানী



থাকিবহে ? তুমি কণা হোৱাহেঁতেন মই এই কথা তোমাক নক'লোহেঁহেন। তুমি এটা ভ্ৰষ্টাচাৰী হৈ পৰিছা।"

গুৰুৰ কথা শুনি শিষ্যই ৰূপৰ কাঁহীত থকা পানীটোপাল তৎক্ষণাৎ মচি পেলালে। তেতিয়া কবি-পত্নী কেঁকাই আছিল। পত্নীৰ কেঁকনি শুনি খঙে কবিৰ মূৰৰ চুলিৰ আগ পালেগৈ। ৰাজ-কবিয়ে চিঞৰি উঠিল, "তুই-চাৰি দিন জ্বৰ হ'ল যদি কিনো হ'ল? তোমাৰ এই কেঁকনি-গেঁথনি পেনপেননিৰ ফলত মোৰো খোৱা-লোৱা বন্ধ হ'বৰ হ'ল, টোপনি নোহোৱা হ'ল। তোমাৰ নিচিনা জাহজাতীজনীক বিয়া কৰাই মোৰ জনমটোৱেই বিফলে গ'ল।"

আঁৰত থাকি মহান ৰাজকবিৰ ৰাওমুৰা ৰূপ দেখি ৰজা আৰু মন্ত্ৰী ভেবা লাগিল।

তাৰ পাছত তেওঁলোক গ'ল ৰাজ-বৈদ্যৰ ঘৰলৈ; যিটো খোটালীত বহি ৰাজবৈদ্যই দৰৱ-পাতি প্ৰস্তুত কৰিছিল, তাৰপৰা ৰাজবৈদ্যৰ কণ্ঠস্বৰ ৰজা আৰু মন্ত্ৰীৰ কাণত পৰিল। ৰজা আৰু মন্ত্ৰীয়ে সেইটো খোটালীৰ খিৰিকীয়েদি ৰাজবৈদ্য আৰু তেওঁৰ পুতেকক দৰৱ প্ৰস্তুত কৰি থকা দেখা পালে। পুতেকে খলত [শিলৰ কিস্তি] দৰৱ পিহি থাকোঁতে তাৰ চকু-মুখত বিৰক্তিৰ চিন দেখা পাই শান্ত-নম্ৰ ৰাজবৈদ্যই এটি গগনফলা চিঞৰ মাৰি পুতেকক কৈ উঠিল, "মোতোকৈ তোৰ গিয়ান বেছি হ'লনে ? মই যি কওঁ তাকে কৰ, নহ'লে ওলাই যা।"

"তুমি যেনেকৈ বনাবলৈ কৈছা মোৰ সত যোৱা নাই।" পুতেকে ক'লে।

ৰাজবৈদ্যই দাঁত-মুখ কৰচি কৈ উঠিল "অ'—বৈদ্যশাস্ত্ৰ তই মোক চেৰ পেলাইছ হ'বলা ? তই কোৱামতে দৰৱ বনালে আমাৰ কিটোনো লাভ ? মই কোৱামতে দৰৱ বনালেহে আমাৰ লাভৰো উপৰি লাভ। কেৱল বেমাৰ আৰু বেমাৰীক



ভাল কৰি তুলিবলৈ মই ওপজা নাই। আপোন ভালেই জগত ভাল, আৰু সেয়েহে—মোৰ লাভ হ'লেহে আনৰো লাভ হ'ব।"

ৰাজবৈদ্যৰ কথা শুনি ৰজা আৰু মন্ত্ৰীয়ে পৰস্পৰলৈ চাই ৰ'ল। ৰজাই মন্ত্ৰীক ক'লে, "আমাৰ মহান ৰাজবৈদ্য বাৰু ইমানেই নীচমনানে!"

তাৰ পাছত তেওঁলোক পুনৰ গৈ থাকিল। গৈ গৈ এঠাইত ৰ'ল। এটা পঁজাৰ ভিতৰৰপৰা নাৰীকণ্ঠৰ বিননিৰ শব্দ ভাহি আহিল। ঘৰৰ ভিতৰত লেতেৰা বিছনা এখনত এজনী তিৰোতা শুই আছিল।

ৰজাই সেই তিৰোতাজনীক বিনাই থকাৰ কাৰণ সুধিলেগৈ বুলি ভাবি খোজ লওঁতেই এজন মানুহ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। মানুহজনৰ দেখা পাই তিৰোতাগৰাকীৰ বিননি আৰু চৰিল। তিৰোতাগৰাকীয়ে উচুপি উচুপি ক'লে, "মোৰ ভৰিখন আজি ইম্মান যে বিষাইছে!

যিজন ঘৰৰ ভিতৰলৈ সোমাইছিলগৈ, সেইজন আছিল এই তিৰোতাগৰাকীৰ গিৰিয়েক। গোটেই দিনটো পামত কাম কৰি কৰি ভাগৰি-জুগৰি এইমাত্ৰে ঘৰ আহিপাইছিলহি। গিৰিয়েকে ঘৈণীয়েকক সুধিলে, "তোমাৰ কি হ'ল?"

"কুঁৰাৰ পাৰত পিছল খাই পৰিলোঁ। সোঁ ভৰিখনত বৰ বিষ উঠিছে। ৰন্ধা-বঢ়া একো নহ'ল, আজি মই—আখাতো জুই দিব নোৱাৰিলোঁ।"

ঘৈণীয়েকৰ কথাত অলপো বেয়া নাপাই গিৰিয়েকে কোমল মাতেৰে ক'লে, "ভাত—বাৰু ময়েই ৰান্ধিম, তুমি একদম নুঠিবা, শুই থাকাঁ। একদম লৰচৰ নকৰিবা। মই পানী গৰম কৰি আনি তোমাৰ ভৰিত সেঁক দিম, ৰাতিপুৱা খোজ দিব পাৰিবা।"

তাৰ পাছত গিৰিয়েকে ৰান্ধিলে-গিৰিয়েকে বাঢ়িলে, ঘৈণীয়েকৰ ভৰি

গৰম পানীৰে সেঁকিলে, ঘৈণীয়েকক খুৱাই নিজেও খালে। ঘৈণীয়েকে সুধিলে, "আজি তোমাৰ ইমান পলম হ'ল কিয় ?"

গিৰিয়েকে ব্ৰজনাথে ক'লে, "ধান বেচোঁতে অলপ মস্কিলত পৰিছিলোঁ আজি। চহৰৰ মহাজন এজনে মোৰপৰা বেছি দাম দি ধানখিনি কিনিব খুজিছিল। কিন্তু সেই নগৰীয়া মহাজনৰ ওচৰত নেবেচি আমাৰ গাঁৱৰ মহাজনৰ ওচৰতে বেচিলোঁ। দাম—নগৰীয়া মহাজনে দিব খোজাতকৈ অলপ কম পালোঁ ঠিকেই ; কিন্তু নগৰীয়া মহাজনক ধানখিনি বেচি দিয়াহেঁতেন গাঁৱৰ ৰাইজে চৰা দামত কিনিবলগা হ'লহেঁতেন। এই বছৰ খেতি-বাতিও ভাল হোৱা নাই, তদুপৰি গাঁৱৰ ধান চহৰলৈ গ'লে তো কথাই নাই, দুগুণ দামেৰে পুনৰ কিনিব লাগিব।"

এইখিনি কথা শুনাৰ অন্তত ৰজা আৰু মন্ত্ৰীয়ে পুনৰ ৰাজধানীলৈ বুলি খোজ ল'লে। বাটত ৰজাই মন্ত্ৰীক ক'লে, "ভাল মানুহ কাক ক'ব পাৰি—এতিয়াহে বুজিলোঁ মই। ব্ৰজনাথ এজন সাধাৰণ খেতিয়ক ; কিন্তু মানুহজন ভাল।"

"আপোনাৰ ধাৰণা সঠিক। পিছে—ৰাজকবি আৰু ৰাজবৈদ্যৰ সম্পৰ্কে কিবা ভাবিছেনে, মহাৰাজ ?" মন্ত্ৰীয়ে সুধিলে।

"কবিৰ শিষ্যক ৰাজকবি আৰু ৰাজ-বৈদ্যৰ পুত্ৰক ৰাজবৈদ্যৰ বাব দিম বুলি স্থিৰ কৰিছোঁ মই। আৰু—সাধাৰণ খেতিয়ক ব্ৰজনাথে তাৰ পত্নীৰ, তথা দেশৰ ৰাইজৰ কথা যেনেদৰে অনুভৱ কৰিছিল—সেই কথা নিজ কাণেৰে শুনি আৰু দেখি মই মুগ্ধ হৈছোঁ।"

কেইদিনমানৰ পাছত পৰিপূৰ্ণ ৰাজ-সভাত ৰজাই খেতিয়ক ব্ৰজনাথক আদৰিলে আৰু ৰাজকবিৰ শিষ্যক ৰাজকবিৰ পদত আৰু ৰাজবৈদ্যৰ পুত্ৰক ৰাজবৈদ্যৰ পদত সন্মানেৰে সৈতে নিযুক্ত কৰিলে।

ধৰ্ম-সংকট

গাঁৱৰ নাম ইন্দ্ৰপুৰ। এদিন এইখন গাঁৱলৈ বিশ্বম্ভৰ নামৰ এগৰাকী পণ্ডিত আহিল। ধৰ্মশাস্ত্ৰত তেওঁৰ অগাধ জ্ঞান। গাঁৱৰ গণ্য-মান্যসকলৰ অনুৰোধত বিশ্বম্ভৰ পণ্ডিতে প্ৰতিদিন সন্ধ্যাকালত শিৱদ'লৰ চোতালত বহি ধৰ্মালোচনা কৰিছিল।

প্ৰথমদিনা বিশ্বম্ভৰ পণ্ডিতে ধৰ্মলোচনা কৰি থাকোঁতে ক'লে, "মদ্যপান এটি পাপ। কথা মাথোন সিমানেই নহয়, মদপীহঁতৰ সৈতে সা-সম্পৰ্ক ৰক্ষা কৰাটোও মহাপাপ।"

দ্বিতীয় দিনা, পণ্ডিত বিশ্বম্ভৰদেৱে সততাৰ বিষয়ে আলোচনা কৰি থাকোঁতে হৰিশ্চন্দ্ৰৰ কাহিনী ক'লে। হৰিশ্চন্দ্ৰৰ কাহিনী শুনি শ্ৰোতা ৰাইজৰ চকুলো ওলাল। হৰিশ্চন্দ্ৰৰ কাহিনীয়ে শ্ৰোতা ৰাইজক এই কথা বুজাই দিলে যে কোনো অৱস্থাতে মিছা কথা কোৱা উচিত নহয়।

ধৰ্মালোচনাৰ অন্তত বিশ্বম্ভৰ পণ্ডিত যেতিয়া গণেশৰ ঘৰলৈ গৈ আছিল, তেতিয়া বাটত অনন্ত নামৰ মানুহ এজনে পণ্ডিতক নমস্কাৰ কৰি ক'লে, "প্ৰভু, আপোনাৰ কথাবোৰ মোৰ কাণেদি গৈ মনত সোমাই দ' সাঁচ পেলাইছে। মই—আপুনি কোৱামতে মোৰ জীৱনৰ সুঁতি সলাই দিম বুলি ভাবিছোঁ। মোৰ পাপৰ কাৰণে মই সঁচাসঁচিকৈ অনুতপ্ত।"

অনন্তৰ কথাত বৰ ভাল পাই বিশ্বম্ভৰ পণ্ডিতে গণেশক ক'লে, "আজিৰ দিনত কথা আৰু কামৰ মাজত মিল—নিচেই কম মানুহৰ মাজত দেখা যায়। মোৰ কথা শুনি অন্ততঃপক্ষে এজন মানুহে যে পৰিৱৰ্তিত হ'ব খুজিছে, এয়া আনন্দৰ

মুকুল বৰা

কথা।" সঁচাকৈয়ে আনন্দৰ কথা।

বিশ্বম্ভৰৰ কথাৰ উত্তৰত গণেশে ক'লে, "অনন্তক মই যিমানকণ চিনি পাওঁ—তাৰে এইখিনি ক'ব পাৰোঁ যে তাৰ চিত্তশুদ্ধি কেতিয়াও নহ'ব। সি নিশ্চয় তাৰ মনত কিবা এটা ফন্দী পাঙিছে। চিৰকালৰ ফন্দীয়ক এটাই হঠাৎ ধৰ্মৰ দৌল বান্ধিব বুলি মই ভাবিব পৰা নাই।"



অলপ পৰলৈ মনে মনে থকাৰ পাছত পণ্ডিত বিশ্বম্ভৰে ক'লে, "মানুহ সদায় সন্দেহপ্ৰৱণ। মোৰ ধাৰণা, অনন্তই মোৰ কথাৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰিছে।"

পাছদিনা, গণেশৰ ঘৰৰ বাৰাণ্ডাত বহি পণ্ডিত আন এজনৰ সৈতে কথা পাতি থাকোঁতে অনন্ত তালৈ আহিল আৰু বিশ্বম্ভৰক নমস্কাৰ কৰি ক'লে, "প্ৰভু, আজি প্ৰভাততে মই এক ধৰ্ম-সংকটৰ দোমোজাত সোমাই পৰিছোঁ। এই সংকটৰপৰা মোক উদ্ধাৰ কৰক, প্ৰভু!"

বিশ্বম্ভৰ পণ্ডিতে কৌতূহলী হৈ প্ৰশ্ন কৰিলে, "কিনো সেই ধৰ্ম সংকট?"

"আজি প্ৰভাতবেলিকা খেতি-পথাৰ পৰিদৰ্শন কৰি উভতি আহোঁতে দুটা মদাহীয়ে মোক সুধিলে যে লাওপানী ক'ত পোৱা যাব। মদাহীক সহায় কৰাটোও মহাপাপ বুলি আপুনি কৈছিল। গতিকে—লাওপানী ক'ত পোৱা যায় জানিও মই সিহঁতক নক'লোঁ। কিন্তু পাছমুহূৰ্ততে মই উপলব্ধি কৰিলোঁ যে মই মদাহী দুটাক মই গোকাট মিছা ক'লোঁ। এতিয়া মই কি কৰোঁ প্ৰভু? মিছা কথাৰ মহাপাপে মোক চুবনে?"

বিশ্বম্ভৰে অনন্তক ক'লে, "নহয়, তোমাক পাপে চুব। এই কথাত ধৰ্ম-সংকটৰ একো নাই।"

পণ্ডিতৰ কথাত অতি বিৰক্ত হৈ অনন্তই ক'লে, "আপুনিনো কেনেকুৱা পণ্ডিত হেৰি? লাওপানী ক'ত পোৱা যায় সেই কথা জানিও নাজানো বুলি

কোৰাত মিছা কথা কোৱা নহ'লনে? মোৰ এই পাপৰ পৰাচিতৰ বিধান নিশ্চয় ধৰ্মশাস্ত্ৰত আছে। আপুনি যদি সেইবোৰ বিধান পঢ়া নাই—সেই কথা বেলেগ।"

গণেশৰ আশংকা সত্য হোৱাৰ সম্ভাৱনা দেখি গণেশ ঘৰৰপৰা ওলাই আহিল। ইতিমধ্যে পণ্ডিত আৰু অনন্তৰ মাজত হোৱা উখনা-উখনি শুনি বাটৰুৱা কিছুমানো গোট খাই পৰিছিল।

গণেশৰ উত্তৰত অনন্তই কলে, "মোৰ সাধাৰণ সমস্যা এটাৰ সমাধান দিব নোৱৰা ক'ৰবাৰ কোন পণ্ডিত এটাক মূৰত তুলি লৈ আমি নাচি আছোঁ।"

গণেশে শান্ত কণ্ঠেৰে ক'লে, "এই ঘটনাত পণ্ডিতক নিন্দা কৰাটো অনুচিত। আচল কথা হ'ল—আমাৰ সমস্যা আৰু পণ্ডিত লোকৰ সমস্যাৰ মাজত প্ৰভেদ আছে। তোমাৰ সমস্যাৰ সমাধান তোমাৰ বুদ্ধিৰেই তুমি কৰিব পাৰা দেখোন।"

"মোৰ সমস্যা ইমানেই সহজনে?" অবাক অনন্তই গণেশক সুধিলে।

"তুমি এতিয়াই মদাহী দুটাক কোৱাগৈ যে—লাওপানী ক'ত পোৱাযায় মই জানো কিন্তু নকওঁ। তেতিয়া তোমাৰ আৰু একোডাল সমস্যা নাথাকিল।" গণেশে অনন্তক পানী পানীকৈ বুজাই ক'লে।

তাত গোট খোৱা ৰাইজেও গণেশৰ কথাতে হয় দিলে। বিষয়টো গণেশে এককথাত সমাধান কৰি দিয়াত অনন্তই অপমান পোৱা যেন পালে, যদিও সি প্ৰতিবাদৰ একো সমল বিচাৰি নাপাই তলমূৰ হৈ তাৰপৰা গুচি গ'ল।

অনন্ত গুচি যোৱাৰ অন্তত পণ্ডিত বিশ্বম্ভৰে গণেশক ক'লে, "অনন্তৰ সমস্যাৰ দৰে বিচিত্ৰ সমস্যাৰ সমাধান মোৰ পক্ষে একেবাৰে অসাধ্য। তোমাৰ বাস্তৱ বুদ্ধিৰে সমাধান কৰি মোক ৰক্ষা কৰিলা বোপাই।" বিশ্বম্ভৰ পণ্ডিত তাত আৰু ন'ৰল।





১১

ৰাজদ্ৰোহী

নাগবৰ্মা সসৈন্যে মহাৰাজ বীৰসিংহৰ ৰাজপ্ৰাসাদ পুনৰ অধিকাৰ কৰিবলৈ ঢপলিয়াই অহাৰ কথা শুনি চিত্ৰসেনে তেওঁৰ সৈন্যইঁতক প্ৰাসাদৰ ভিতৰতে জোপ লৈ লুকাই থকাৰ নিৰ্দেশ দিলে। নাগবৰ্মাৰ লগত লগ লাগিছিলহি জালাদ্বীপিয়াইঁতৰ অন্যতম ৰ্দাৰ কৰবীৰ। নাগবৰ্মা যেতিয়া সসৈন্যে প্ৰাসাদ পালেহি, তেতিয়া প্ৰাসাদৰ ভিতৰে-বাহিৰে কঁাহ পৰি জীণ যোৱা অৱস্থা। একেবাৰে নিটাল-নিস্তব্ধ। এনে এক অস্বাভাৱিক অৱস্থালৈ লক্ষ্য কৰি নাগবৰ্মাই সেই ঠাইৰ বতাহত সন্দেহৰ গোন্ধ পালে। আৰু তাৰ পাছত…

কৰবীৰৰ পৰামৰ্শ নাগবৰ্মাই মানি ল'লে। কিয়নো, ৰাজপ্ৰাসাদত সোমোৱাৰ সাহসো নাগবৰ্মাৰ নাছিল। ৰাজপ্ৰাসাদৰ ভাগি পৰা তোৰণৰ ওচৰত ৰৈ নাগবৰ্মাই কৰবীৰক ক'লে, "তোমাৰ প্ৰস্তাৱ অতি উত্তম।"

তাৰ পাছত নাগবৰ্মাই তাৰ ঘোঁৰাটোক কেইখোজমান পিছুৱাই লৈ তাৰ সৈন্যইঁতক ক'লে, "এতিয়া তোমালোক প্ৰাসাদৰ ভিতৰলৈ যাব পাৰা। কোনোপ্ৰকাৰৰ বাধা নোপোৱাকৈ প্ৰাসাদৰ ভিতৰলৈ যাব

পৰাটো সঁচাকৈয়েই সৌভাগ্যৰ কথা। স্বয়ং দেৱতা দেখিছোঁ আমাৰ সহায়।"

নাগবৰ্মাৰপৰা নিৰ্দেশ পাই তাৰ সৈন্যহঁতৰ দলে দলে প্ৰাসাদৰ ভিতৰলৈ তীব্ৰ গতিৰে সোমাবলৈ ধৰিলে। ঘোঁৰাৰ পিঠিত বহি, তৰোৱাল দাঙি ধৰি, কৰবীৰে ক'লে, "আমাৰ কৰিবলগা কামখিনি অনতিপলমে কৰি পেলাব লাগিব, নহ'লে তাৰকেশ্বৰৰ সৈন্যহঁতে আমাক আগুৰি ধৰিবহি। তেতিয়া কথা বিষম হ'ব।"

নাগবৰ্মাই কৰবীৰক ক'লে, "কৰবীৰ, আমি অকাৰণে ভয়াতুৰ হৈ পৰিছিলোঁ। প্ৰাসাদৰ ভিতৰত আমাৰ শত্ৰু নিশ্চয় নাই। আমি হেলাৰঙে প্ৰাসাদ অধিকাৰ কৰিব পাৰিম।"

কৰবীৰেও নাগবৰ্মাৰ কথাতে মূৰ তুপিয়ালে। আৰু তাৰ পাছত দুয়োজনে একেলগে প্ৰাসাদত সোমোৱাৰ বাবে খোজ দিয়াৰ লগে লগেই প্ৰাসাদৰ ভিতৰৰপৰা বহু কণ্ঠই একেলগে আৰ্তনাদ কৰি উঠিল, "ৰাক্ষস! ৰাক্ষস!"

আৰু লগে লগে কিছুমান সৈন্য প্ৰাসাদৰপৰা তীব্ৰ গতিৰে ওলাই আহিল।

কৰবীৰে তাৰ ঘোঁৰাটোক বিজুলী-গতিৰে বিপৰীতমুখী কৰি লৈ নাগবৰ্মাক চিঞৰি চিঞৰি ক'লে, "মহাৰাজ! প্ৰাসাদৰ ভিতৰত নিশ্চয় বিশ্বাসঘাতক শত্ৰুসৈন্য আছে। আমি এতিয়া সিহঁতৰ বিৰুদ্ধে যুঁজ দিব নোৱাৰিম। শীঘ্ৰে ইয়াৰপৰা গুচি যাব লাগিব।"

"উস্! চাৰিওফালে কেৱল বিশ্বাস-ঘাতক!" এই বুলি কৈয়েই সাত চেউৰীৰ লৰ দি নাগবৰ্মা তাৰপৰা পলাল।

চিত্ৰসেনে চিৎকাৰ কৰি ক'লে, "ৰাজদ্ৰোহী নাগবৰ্মা পলাল! তাক ধৰাঁ—অৰণ্যৰ ভিতৰ নোপাওঁতেই তাক ধৰাঁ—! একোপধ্যে পলাব নোৱাৰে যেন চাবা—আ—আ!"

পাছ মুহূৰ্ততে ৰাক্ষসহঁতৰ অট্টহাঁহিৰ

বিকট শব্দ শুনা গ'ল। সিহঁতে নাগবর্মা আৰু কৰবীৰলৈ ঢৌৰাই শিলৰ টাঙোন দলিয়াবলৈ ধৰিলে।

ভয়তে কঁপি-জঁপি কৰবীৰে কথমপি ক'লে, "মহাৰাজ, শুনিছেনে? ৰাক্ষসহঁতে আমালৈ টাঙোন দলিয়াইছে। যিমান শীঘ্রে সম্ভৱ অটব্য অৰণ্যৰ মাজত সোমাব লাগিব, নহ'লে কথা বিষম।"

"এয়া হ'ল অতি নীচ বিশ্বাসঘাতকতা, ইয়াৰ ক্ষমা নাই। কোনো ক্ষমা নাই।" এই বুলি কৈ নাগবর্মাই বলিয়াৰ দৰে চিঞৰি চিঞৰি ঘোঁৰা চেঁকুৰাবলৈ ধৰিলে।

আৰু ঠিক তেতিয়া উগ্রাক্ষই মাৰি পঠিওৱা বিৰাট শিলৰ টাঙোন পৰিলহি কৰবীৰৰ ঘোঁৰাটোৰ গাত। সেই আঘাত সহিব নোৱাৰি কৰবীৰৰ ঘোঁৰাটোৱে চিঁহিঁহিঁকৈ বিকট আর্তনাদ কৰি বাগৰি পৰিল। পৰিল কৰবীৰো।

কৰবীৰৰ আর্তনাদ শুনি নাগবর্মাই তাৰ ঘোঁৰাটোক ৰখাই পিছফাললৈ ঘূৰি চালে। কৰবীৰৰ ঘোঁৰাটোক আৰু কৰবীৰকো বাগৰি পৰা দেখি নাগবর্মাই ঘোঁৰাটো ৰখালে। কৰবীৰে 'মহাৰাজ' 'মহাৰাজ' বুলি চিঞৰ ধৰি নাগবর্মাৰ পিনে লৰৰি আহিবলৈ ধৰিলে।

নাগবর্মাৰ প্ৰাসাদলৈ চাই চাই কৰবীৰক ক'লে, "ইয়াত আৰু মুহূর্তমানো তৈ থকা উচিত নহ'ব। প্ৰাসাদৰ ভিতৰলৈ সোমোৱা আমাৰ সৈন্যহঁত নিশ্চয় মৰিল।"

কৰবীৰে নাগবর্মাৰ এই কথাত মূৰ দুপিয়ালে। পুনৰ নাগবর্মায়েই কৰবীৰক সুধিলে, "কৰবীৰ, শত্রুহঁতৰ দৃষ্টি এৰাই আমি পলাব পাৰিমনে? তোমাৰ ঘোঁৰাটোও মৰিল। তেনেস্থলত—"

"মহাৰাজ!" নাগবর্মাৰ কথা নৌ শেষ হওঁতেই কৰবীৰে কৈ উঠিল, "আমি ঘোঁৰা চেকুৰাই শত্রুৰ হাত সাৰিব নোৱাৰিম। আমাক হাতে-লোতে ধৰিবলৈহে শত্রুৱে এনে অভিনৱ ফন্দী



পাণ্ডিছিল নিশ্চয়। গতিকে সিহঁতৰ চকুত বালি মাৰি আন কোনো ধৰণৰ কৌশলেৰে ইয়াৰপৰা পলাই যোৱাৰ চেষ্টা দিব লাগিব। সৌৱা—আমাৰ দুজন সৈন্য থৰ কাছুটি হেকুৰাই দৌৰি আহিব ধৰিছে। সিহঁত দুটাক অৰণ্যলৈ সোমাই যাবলৈ কট-কটীয়াকৈ আদেশ দিয়ক। সিহঁত দুটাক অৰণ্যৰ ভিতৰলৈ যোৱা দেখি শত্ৰুহঁতে আমি সোমোৱা বুলি ভাবি খেদা দিব। আৰু সেই ছেগতে আমি আমি আন ক'ৰবালৈ পলাই ফাট মাৰিব পাৰিম।"

কৰবীৰৰ কথা নাগবৰ্মাই বেদৰ বচন যেন পালে! যি সৈন্য দুটা নাগবৰ্মাৰ কাষ পাইছিলহি, সিহঁত দুটাৰ মুৰত নাগবৰ্মাই নিজৰ আৰু কৰবীৰৰ মুকুট পিন্ধাই দিলে আৰু সিহঁতক তৎক্ষণাৎ অৰণ্যৰ ভিতৰলৈ সোমাই যাবলৈ ক'লে। আৰু নাগবৰ্মাই কোৱাৰ লগে লগে সিহঁত দুটা তাৰপৰা উধাও হৈ গ'ল।

সৈন্য দুটাক কঢ়িয়াই লৈ যোৱা ঘোঁৰা দুটাই তীব্ৰ গতিৰে গৈ থকালৈ চাই নাগবৰ্মাই হাঁহি হাঁহি কৰবীৰক ক'লে, "কৰবীৰ, এতিয়া আমি নিঃচিন্তা মনেৰে য'লৈকে মন যায় লাহে-ধীৰে গৈ থাকিব পাৰিম বা শুয়ে থাকিব পাৰিম। কিন্তু—যাওঁনো কেনি কোৱাচোঁ?"

কিন্তু এই কথা কোৱাৰ পাছমুহূৰ্ততে ধাবমান চিত্ৰসেনৰ অসংখ্য সৈন্যক দেখা পাই ৰাজদ্ৰোহী দেশদ্ৰোহী নাগবৰ্মা পুনৰ আতংকিত হৈ উঠিল।

সিপিনে—নাগবৰ্মা আৰু কৰবীৰৰ মুকুট পিন্ধি দ্ৰুত গতিৰে ঘোঁৰা চেঁকুৰাই অৰণ্যৰ পিনে গৈ থকা নাগবৰ্মাৰ সৈন্য দুটালৈ দূৰৰপৰা আঙুলিয়াই চিত্ৰসেনে নিজৰ সৈন্যহঁতক ক'লে, "সৌৱা নাগবৰ্মা আৰু জ্বালাদ্বীপিয়াহঁতৰ চৰ্দাৰ কৰবীৰ ঘোঁৰাৰ পিঠিত উঠি পলাই যাবলৈ ধৰিছে!"

চিঞৰি চিঞৰি কোৱা চিত্ৰসেনৰ কথাখিনি শুনি কৰবীৰে হাঁহি হাঁহি

CHITRA

নাগবৰ্মাক ক'লে, "আমাৰ কৌশলে গুণ দিছে। এতিয়া চিত্ৰসেনৰ সৈন্যহঁতে আমাৰ সেই ভোদা সৈন্য দুটাৰ পিছ খেদি যাব। সিহঁত যেতিয়া পূবলৈ যাব, আমি গতি কৰিম পচিমলৈ।"

তাৰ পাছত নাগবৰ্মা আৰু কৰবীৰ দুজোপা প্ৰকাণ্ড গছৰ আঁৰত লুকাই থাকি চিত্ৰসেনৰ সৈন্যহঁতৰ গতিবিধিলৈ লক্ষ্য কৰি থাকিল।

চিত্ৰসেন আৰু উগ্ৰাক্ষ প্ৰাসাদৰ তোৰণত ৰৈ আছিল। নাগবৰ্মাৰ সৈন্য দুটাক নাগবৰ্মা আৰু কৰবীৰ বুলি চিত্ৰসেনৰ যিবোৰ সৈন্যই সিহঁত দুটাৰ পিছ লৈ অৰণ্যত সোমাইছিল, সিহঁত ব্যৰ্থ হৈ উভতি আহিল। চিত্ৰসেনে ক'লে, "ইমান চেষ্টাতো নাগবৰ্মাক ধৰিব পৰা নগ'ল!"

উগ্ৰাক্ষই ক'লে, "মহাৰাজ, নাগবৰ্মা আৰু কৰবীৰ ধৰাৰ দায়িত্ব আপুনি—মোকেই দিয়ক। মই ইতিমধ্যেই অৰণ্য চাহি-মুহি-সিহঁতক বিচাৰি উলিয়াবলৈ ইপিনে-সিপিনেই সকলোপিনেই মোৰ অনুচৰহঁতক পঠাইছোঁ।"

উগ্ৰাক্ষৰ এই অনুচৰহঁতে ৰাজদ্ৰোহী নাগবৰ্মা আৰু জ্বালাদ্বীপিয়াহঁতৰ চৰ্দাৰ কৰবীৰক তন্ন তন্নকৈ অৰণ্যত বিচাৰি থাকিল।

অলপ পাছত চিত্ৰসেনৰ সেনাপতি চিত্ৰসেনৰ পিতাদেউ মহাৰাজ তাৰকেশ্বৰক সহায় কৰিবলৈ সেনাপতিক পঠোৱা হৈছিল। সেনাপতি আহি পোৱাৰ অলপ পাছত মহাৰাজ তাৰকেশ্বৰো তাত উপস্থিত হ'লহি। আন কাৰোবাৰপৰা সহায় নোলোৱাকৈয়েই পুত্ৰ চিত্ৰসেনে কপিলপুৰৰ ৰাজপ্ৰাসাদ অধিকাৰ কৰিব পৰাৰ কথা শুনি মহাৰাজ তাৰকেশ্বৰে ভাল পালে; কিন্তু নাগবৰ্মা পলাই যোৱাৰ কথাত বেজাৰ পালে। মহাৰাজ তাৰকেশ্বৰে ক'লে, "এই ৰাজদ্ৰোহী যে পলাই গ'ল—ই সকলোকালবেপৰাই আমাক বিমোৰত পেলাব পাৰিব। জ্বালাদ্বীপিয়াহঁতৰ সহায়ত

সেই ভয়ানক চৰাইবিলাকক পুনৰ লৈ আহিব আৰু এদিন-নহয়-এদিন আমাৰ ওপৰত জঁপিয়াই পৰিবহি। আমি যদি তেতিয়াৰ কাৰণে এতিয়াই সাজু হৈ নাথাকোঁ, তেনেহ'লে সিহঁতে আমাক নিশ্চয় পৰ্য্যুদস্ত কৰিব।"

সেই চৰাইবিলাকৰ কথাত আটায়েই ভীত। চৰাইবিলাক বাস্তয়িকতে অতি ভয়ংকৰ আনহাতে উগ্ৰাক্ষৰ অনুচৰহঁতে ৰাজদ্ৰোহী নাগবৰ্মা আৰু জ্বালাদ্বীপিয়া-হঁতৰ চৰ্দাৰ চয়তান কৰবীৰক ধৰি আনিব নোৱৰাত হতাশ।

যি কি নহওক, চিত্ৰসেনে মহাৰাজ বীৰসিংহৰ সৈতে নিজৰ পিতাদেৱক চিনাকি কৰাই দিলে। মহাৰাজ বীৰ-সিংহই ক'লে যে চিত্ৰসেন নথাকিহঁতেন তেওঁ আৰু অধিক দিন জীয়াই থাকিব নোৱাৰিলেহেঁতেন। তেওঁ মহাৰাজ তাৰ-কেশ্বৰক ক'লে, "মোৰ কোনো পুত্ৰ-সন্তান নাই। কেৱল কন্যা এজনীহে আছে। সিংহাসনত পুনৰাধিষ্ঠিত হোৱাৰ ইচ্ছাও মোৰ নোহোৱা হৈছে। মই আপোনা-লোকৰ সৈতে ঘনিষ্ঠ হোৱাত আগ্ৰহী।"

চিত্ৰসেনৰ পিতাদেউ মহাৰাজ তাৰ-কেশ্বৰে মহাৰাজ বীৰসিংহৰ কন্যা ৰাজকুঁৱৰী কান্তিমতীক আগৰেপৰাই চিনি পাইছিল। কান্তিমতীৰ প্ৰতি নিজ পুত্ৰৰ আকৰ্ষণৰ কথাও তেওঁ সৈন্যসকলৰ যোগেদি জানিব পাৰিছিল। এতেকে—মহাৰাজ বীৰসিংহৰ প্ৰস্তাৱত সন্মতি জ্ঞাপন কৰাত তেওঁ অলপো সময় নল'লে।

কিছুদিনৰ অন্তত চিত্ৰসেনৰ সৈতে কান্তিমতীৰ বিবাহৰ আয়োজন কৰা হ'ল। বিয়াৰ দিনা চিত্ৰসেনে তেওঁৰ সেনাপতিক অনুচৰহঁতক আৰু সৈন্যহঁতকো বিভিন্ন উপহাৰ দিলে। চিত্ৰসেনে উগ্ৰাক্ষকো বিশেষ উপহাৰেৰে আদৰ্ কৰি চিন্তা কৰি ক'লে "উগ্ৰাক্ষ, মোক তুমি যেনেকৈ সহায় কৰিছা, তাৰ কোনো তুলনা নাই।

মোৰ বিবাহ উপলক্ষ্যে মই তোমাক উপহাৰ দিব খুজিছোঁ। তুমি কেনেকুৱা উপহাৰ পালে ভাল পাবা—মন খুলি সেই কথাটো মোক কোৱাঁ।"

উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, "মহাৰাজ, কথাটো পুনৰ এবাৰ ভালকৈ ভাবি চাওক। মই যি উপহাৰ খুজিম—সেই উপহাৰ দিয়াত আপুনি দুখ পাব কিজানি।"

"একো দুখ নাপাওঁ, কি লাগে, কোৱাঁ।" চিত্ৰসেনে ক'লে।

"মহাৰাজ, মই আগতে যি খুজিছিলোঁ, এতিয়াও আপোনাৰপৰা তাকে খুজিছোঁ। আপোনাৰ জ্যেষ্ঠ সন্তানটিক তাৰ ওঠৰ বছৰ বয়স হোৱাৰ লগে লগে মই তাক বিচাৰোঁ। মই মোৰ মত অলপ সলাইছোঁ এতিয়া। আগতে—ডাঙৰ পুত্ৰৰ কথা কৈছিলোঁ, এতিয়া কওঁ, পুত্ৰ বা কন্যা যিয়েই নহওক, ওঠৰ বছৰীয়া হোৱাৰ লগে লগে মোক লাগে।" উগ্ৰাক্ষই যথাসম্ভৱ কোমল কণ্ঠেৰে ক'লে।

উগ্ৰাক্ষৰ উপহাৰৰ প্ৰস্তাৱ শুনি চিত্ৰসেন বিস্মিত হ'ল। তেওঁ এই কথাৰ উত্তৰত কি ক'ব-নক'ব একো ভাবি উলিয়াব নোৱাৰিলে। হঠাৎ চিত্ৰসেনে ভাবিলে ঃ প্ৰথম সন্তানটিক যদি ৰাক্ষসৰ হাতত গটাই দিব লাগেই—তাৰ বয়স ওঠৰ বা এঘাৰ বা এক যিমানেই নহওক—লাভ-ক্ষতি একেই। চিত্ৰসেনে উগ্ৰাক্ষক ক'লে, "উগ্ৰাক্ষ, তোমাৰ এই উপহাৰ মঞ্জুৰ। তুমি অৱশ্যেই পাবা।"

উগ্ৰাক্ষয়ো লগে লগে আনন্দেৰে কৈ উঠিল, "মহাৰাজ, মই সদা-সৰ্বক্ষণ আপোনাৰ দাসানুদাসৰ দৰে আপোনাৰ সকলো আদেশ নিৰ্দ্বিধাই বিনা প্ৰতিবাদে পালন কৰিম।" এই বুলি কৈ, চিত্ৰসেনক প্ৰণাম কৰি. উগ্ৰাক্ষই নিজৰ অনুচৰহঁতক উদ্দেশি ক'লে, "হেৰহঁত—তহঁত ক'ত? ইয়াতে আছনে নাই?" [অহা সংখ্যাত



দুই দেৱীৰ কাহিনী

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি নিশ্চয় কোনো বিশেষ বাসনা পূৰাবলৈ নিৰবধিকাল এনে কঠোৰ শ্ৰম কৰি আছা। নে তোমাক কোনোবা বিশেষ ক্ষমতাধাৰীয়ে এই শ্ৰম কৰাত প্ৰৰোচিত কৰিছে? জগতত মানুহ বা দেৱতাসকলৰ মাজতো আনক প্ৰৰোচনা দিবপৰা ঢেৰ আছে। এই প্ৰসংগক্ৰমে মই তোমাক দুইদেৱীৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

শিলাপুৰ ৰাজ্যৰ সীমাত অটব্য অৰণ্যৰ কাষত দুটা মন্দিৰ আছিল। এটা মন্দিৰতত আছিল দেৱী আংকামাম্বা নামৰ কালী গোসাঁনীৰ মূৰ্তি আনটো মন্দিৰ আছিল দেৱী জগদম্বাৰ মূৰ্তি। দেৱী আংকামাম্বাই দিনে দুজন ভক্তৰ বাসনা পূৰণ কৰিব পাৰিছিল আৰু দেৱী জগদম্বাই পাৰিছিল এজনৰ।

সম্ভৱতঃ এই কাৰণে, আংকামাম্বাৰ দেৱীৰ মন্দিৰত ভক্তসৰৰ ভিৰ হৈছিল আৰু জগদম্বা দেৱীৰ তাত ভক্তৰ ভিৰ কম হৈছিল। তাৰ ফলত দেৱী আংকামাম্বাৰ গৰ্বৰ সীমা-পৰিসীমা নাছিল। দেৱী আংকামাম্বাই সদায় ভাবিছিল: দেৱী জগদম্বাজনীতকৈ মই কিমান যে ডাঙৰ!

এদিন শিলাপুৰৰ ৰজা আংকামাম্বাৰ মন্দিৰলৈ গ'ল আৰু দেৱীক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "হে দেৱী! তোমাৰ মহিমা দেখি সকলো বিস্মিত। মই তোমাৰপৰা এটি বৰ খুজিম। কেইদিন-মানৰ পাছত মই মোৰ প্ৰতিবেশী ৰাজ্যৰ ৰজা সত্যপালক আক্ৰমণ কৰিম। এই আক্ৰমণত মোৰ যিমানেই ধন খৰচ নহওক, যিমানেই সৈন্য নমৰক—প্ৰতিবেশী ৰাজ্যখন মই—জয় কৰিমেই। সেই ৰাজ্য আক্ৰমণ কৰি যাতে বিজয়ী হ'ব পাৰোঁ মোক সেই বৰ দিয়া, দয়া কৰা. হে দেৱী মাম্বা!" এই বুলি কৈ, শিলাপুৰৰ ৰজা গুচি গ'ল।

অলপ সময়ৰ পাছত ব্ৰহ্মৰুদ্ৰ নামৰ ডকাইত এটাই দেৱী আংকামাম্বাক নিষ্ঠাৰে সৈতে প্ৰণাম কৰি ক'লে, "হে দেৱী! আজি ৰাতি মই এজন ধনী মানুহৰ ঘৰত ডকাইতি কৰিবলৈ ওলাম। সেই ঘৰত আজি বিয়াৰ অনুষ্ঠান পতা হৈছে। এই বিয়া উপলক্ষ্যে বহুতো ধনী পৰিয়ালৰ মহিলাহঁত আহিব সোণ-মণি-মুকুতা তথা হীৰাৰ আ-অলংকাৰ পিন্ধি। গতিকে—আজি মই যদি ভালে-

কুশলে ডকাইতি কৰিব পাৰোঁ, ধনেদি মঠ বান্ধিব পাৰিম। মোক দয়া কৰা, হে দেৱী!" এই বুলি কোৱাৰ অন্তত, প্ৰণাম কৰি, ব্ৰহ্মৰুদ্ৰ গুচি গ'ল।

লগে লগে ৰক্তভৈৰৱ নামৰ ৰাক্ষস এটাই দেৱী আংকামাম্বাক প্ৰণাম কৰি কাতৰ কণ্ঠেৰে ক'লে, "হে দেৱী! যোৱা চাৰিদিন ধৰি মই নৰমাংস খোৱা নাই. ভোকত পেটৰ কেঁচু-কুমটি মৰিছে। তুমি মোক যেনেকৈয়েই নহওক, এতিয়াই চাৰিটামান মানুহ ধৰি দিয়া। আৰু তাৰ পাছতো মোক দিনে এটাকৈ মানুহ পোৱাৰ তথা খোৱাৰ জোখাৰে বন্দৱস্ত কৰি দিয়া।" এই বুলি কৈ, পুনৰ প্ৰণাম কৰি, ৰক্তভৈৰৱো তাৰপৰা গ'লগৈ।

তেতিয়া—ৰজা, ডকাইত আৰু ৰাক্ষসৰ প্ৰাৰ্থনা শুনি আংকামাম্বা দেৱীয়ে ভাবিলে: তিনিওজনেই অন্যায়-অধৰ্ম কৰাৰ বাবে মোৰপৰা বৰ খুজিছে। এই তিনিজনৰ মাজত এজনকো মই বৰ নিদিওঁ। —এই কথা ভাবি আংকামাম্বাই গোটেই দিনটো আন ভক্তলৈ বাট চাই ৰৈ থাকিল। কিন্তু সেইদিনা আন কোনো নাহিল। দেৱী আংকামাম্বা বিৰাট সমস্যাত সাঙোৰ খাই পৰিল। প্ৰতিদিন দুজন ভক্তক বৰ নিদিলে আংকামাম্বাৰ শক্তি বিলুপ্ত হ'ব। কিন্তু বহু ভাবিও দেৱী আংকামাম্বাই ৰজা, ডকাইত আৰু ৰাক্ষসৰ বাসনা পূৰ্ণ

নকৰাটোকে একেবাৰে খাটাং কৰিলে।

বহু পৰলৈকে ভাবিও আংকামাম্বাই এই সমস্যাৰ সমাধান কৰিব নোৱাৰি লাজ-মান কাতি কৰি থৈ সন্ধিয়াপৰতেই দেৱী জগদম্বাৰ কাষ চাপিল। আংকামাম্বাই জগদম্বাক সকলো কথা খুলি-মেলি ক'লে, আৰু অসহায়ৰ দৰে সুধিলে, "জগদা, এই সমস্যা সমাধানৰ কোনো উপায় মই বিচাৰি পোৱা নাই। তুমি মোক কিবা এটা উপায় দিব পাৰিবানে?

জগদম্বাই হাঁহি মুখেৰে ক'লে, "এয়া কোনো সমস্যায়েই নহয়।"

"কিনো কৈছা জগদা!" বিস্মিতা আংকামাম্বাই ক'লে, "সমস্যা নহয়? ৰজাৰ বাসনা পূৰালে অসংখ্য সৈন্য মৰিব, ডকাইতক বৰ দিলে—বহু মানুহ জুকলা হ'ব, আৰু ৰাক্ষসকো মানুহ ধৰি খাব পৰাৰ বৰ দিব নোৱাৰি। ইপিনে—দিনে দুজনক যদি—বৰ নিদিওঁ। মোৰ দেৱীত্বয়েই নাথাকিব। —সমস্যা নহয় বুলিনো কৈছা কেনেকৈ?"

সকলো কথা শুনাৰ অন্তত জগদম্বাই ক'লে, "মই যেনেকৈ ক'ম তেনেকৈ কাম কৰিলেই সমাধান হৈ যাব; তোমাৰ ক্ষমতা, তথা দেৱীত্বো অটুট থাকিব।"

অবাক আংকামাম্বাই ভেবা লাগি ক'লে, "সেয়ানো কেনেকৈ সম্ভৱ?"

"সেই তিনিজনৰ মাজত এজনৰ বাসনাও পূৰাব নালাগে। সিহঁতক বৰ নিদিয়া বাবে তোমাৰ নিজৰ শক্তি যেতিয়া লুপ্ত হ'ব, তেতিয়া তুমি মোৰপৰা তোমাৰ শক্তি ঘূৰাই পোৱাৰ বাবে বৰ খুজি ল'বা। মই তোমাক তোমাৰ বাসনা পূৰাবলৈ বৰ দিম, তাৰ ফলত তোমাৰ শক্তি অক্ষুন্ন থাকিব।"

দেৱী জগদম্বাৰ কথা শুনি দেৱী আংকামাম্বাই ভাবিলেঃ মই বহু বাৰ জগদম্বাক হেয় কৰিবলৈ চেষ্টা কৰিছিলোঁ, মোৰ তুলনাত তেওঁ কিমান ক্ষুদ্ৰ, সেই

কথা কৈ তেওঁক আমনি দিছিলোঁ, গৰ্ব প্ৰকাশ কৰিছিলোঁ। এতিয়া মোৰ নিজৰ শক্তি নোহোৱা হোৱাৰ পাছত জগদম্বাই যদি মোক বৰ নিদিয়া হয়? তেতিয়া? তেতিয়া দেখোন কাইলৈৰেপৰাই কোনো মনুষ্যয়েই মোৰ কাষ নচপা হ'ব! মোৰ সমস্ত অহংকাৰ চূৰ্ণ হ'ব।

এনেবোৰ কথা ভাবি ভাবি দেৱী আংকামাম্বা নিমাত থাকিল। কিন্তু ৰজা, ডকাইত আৰু ৰাক্ষসৰ মাজত এজনৰো বাসনা পূৰণ নকৰিবলৈ দৃঢ়সংকল্প ল'লে তেওঁ। দেৱী আংকামাম্বাই কৈ উঠিল, "ৰজা, ডকাইত বা ৰাক্ষস—আজি মোৰ কাষ চপা এজনৰো বাসনা মই নুপূৰাওঁ।"

দেৱী আংকামাম্বাই এই কথাখিনি কোৱাৰ পাছমুহূৰ্তৰেপৰাই তেওঁৰ দেহৰ-পৰা উজ্জ্বলতা নোহোৱা হ'বলৈ ধৰিলে। তেওঁৰ মুখমণ্ডলত থকা জ্যোতিও বিলুপ্ত হ'ল। তেওঁৰ হৈ পৰিল শক্তিহীনা।

তেতিয়া দেৱী আংকামাম্বাই কাতৰ-কণ্ঠেৰে দেৱী জগদম্বাক ক'লে, "জগদা, মোক মোৰ হেৰোৱা শক্তি ঘূৰাই দিয়া।" আংকামাম্বাই হাতযোৰ কৰি দণ্ডায়মান হৈ দেৱী জগদম্বাক খাটিলে।

"তথাস্তু!" বুলি কৈ, জগদম্বাই দেৱী আংকামাম্বাক আশীৰ্বাদ কৰিলে।

লগে লগে বিলুপ্ত হোৱা জ্যোতি আংকামাম্বাই ঘূৰাই পোৱা হ'ল। দেৱী

আংকামাম্বাই তেওঁৰ হেৰোৱা শক্তিও তৎক্ষণাৎ ঘূৰাই পালে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্রমাদিত্যক সুধিলে, "হে ৰজা, আংকামাম্বাৰ তুলনাত দেৱী জগদম্বাৰ ক্ষমতা যে কম আছিল সেই কথা আমি প্রথমেৰেপৰাই জানিছিলোঁ। এই দেৱী আংকামাম্বাই তেওঁৰ অসীম ক্ষমতা সম্পর্কে বহু বাৰ বহু ধৰণে দেৱী জগদম্বাৰ আগত দম্ভ প্রকাশ কৰিছিল। এই সুযোগত দেৱী জগদম্বাই আংকামাম্বাক চূর্ণ-বিচূর্ণ কৰিব পাৰিলেহেঁতেন। তথাপি দেৱী জগদম্বাই অংকাৰী আংকামাম্বালৈ অনুকম্পা প্রদর্শন কৰিলে কিয়? কিয় বৰ দান কৰি আংকামাম্বা দেৱীৰ লুপ্ত শক্তি জগদম্বাই ঘূৰাই দিলে! মোৰ এই প্রশ্নৰ উত্তৰ যদি জানিও নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্রশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যাই ক'লে, "দেৱী আংকামাম্বা নিশ্চয় অহংকাৰী আছিল; কিন্তু অন্যায়ৰ সপক্ষে বৰ দিয়াত সন্মত নোহোৱাত তেওঁৰ মাজত পৰিৱর্তনে দেখা দিছিল। নিজৰ ক্ষমতা লুপ্ত হ'ব জানিও দেৱী আংকামাম্বাই ভক্ত তিনিজনক অন্যায়-প্রশ্রয় নিদিয়া হ'ল। ইমান ডাঙৰ ত্যাগ স্বীকাৰৰ পাছত আৰু অহংকাৰ থকা সম্ভৱ নহয়। দেৱী আংকামাম্বাৰ মাজত এই পৰিৱর্তনলৈ লক্ষ্য কৰিয়েই দেৱী জগদম্বাই আংকামাম্বাৰ লুপ্ত শক্তি ঘূৰাই পোৱাত সহায় কৰিলে। দেৱী আংকামাম্বাই সর্বশক্তি হেৰুৱাব বুলি জানিও অন্যায়ক প্রশ্রয় নিদিয়াকৈ যেনেকৈ মহত্ব প্রদর্শন কৰিছিল, দেৱী জগদম্বায়ো অপমান পাহৰি উদাৰতা প্রদর্শন কৰিছিল।"

বিক্রমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

মন্ত্ৰীৰ বুদ্ধি

মণিপুৰৰ মহাৰজাই তেওঁৰ একমাত্ৰ জীয়েকৰ জন্মদিনত মূল্যৱান হীৰাৰ হাৰ এধাৰ উপহাৰ দিলে। হীৰাৰ কাষত আন আঠোটি বাখৰো খটোৱা আছিল। তাৰ ফলত এই হাৰডালৰ নামকৰণ কৰা হ'ল—'নৰৰত্ন হাৰ'। কিন্তু কিছুদিনৰ অন্তত এদিন এই বহুমূল্য নৰৰত্ন হাৰ ৰাজকুঁৱৰীৰ ডিঙিৰপৰা চুৰি হৈ গ'ল।

এই কথাটি ৰজা আৰু মন্ত্ৰীয়ে ভালকৈ গমিলে যে বাহিৰা কোনো মানুহে এই হাৰ চুৰি কৰা নাই আৰু অন্তেষপুৰত থকা সকলক ধৰি ধৰি প্ৰশ্ন কৰিও লাভ নাই, কোনেও ইমান মূল্যৱান হাৰ চুৰিৰ কথা স্বীকাৰ নকৰে। অধিকন্তু—হৰ বেছিকৈ সোধন-পোছন কৰিলে হাৰডাল হয়তো কোনোদিনেই ক'তো বিচাৰি পোৱা নহ'ব।

নৰৰত্ন হাৰ উদ্ধাৰৰ বাবে মহামন্ত্ৰীয়ে এটি পৰিকল্পনা কৰি, তিনিজনক এই বিষয়ে শিকাই-বুজাই, কি কৰিব লাগিব আৰু কি কি কৰিব নালাগিব ভালকৈ বুজাই কৈ দিলে।

আবেলি পৰতে মহামন্ত্ৰীয়ে ৰাজ-প্ৰাসাদৰ কৰ্মচাৰীইঁতক এঠাইত গোট খুৱাই লৈ ক'লে, "প্ৰাসাদৰ কোনোবা এজনে ৰাজকুঁৱৰীৰ ডিঙিত থকা বহুমূল্য নৰৰত্ন হাৰ চুৰি কৰিলে। এই হাৰ চুৰি কৰাজনে যদি এতিয়াই হাৰডাল ঘূৰাই দিয়ে, তাক ক্ষমা কৰা হ'ব। কিন্তু পাছত ধৰা পৰিলে কঠোৰ দণ্ড বিহা হ'ব।" কিন্তু মহামন্ত্ৰীৰ কথাত একো ফল নধৰিল; কোনেও হাৰ ঘূৰাই নিদিলে।

ঠিক তেতিয়াই তাত ওজা এজন

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আহিল। আহিল খৰধৰকৈ। ওজাক দেখি মহামন্ত্ৰীয়ে-কৈ উঠিল, “এইবাৰ চোৰ ধৰা পৰিবই। নিশ্চয় পৰিব। আৰু—”

মহামন্ত্ৰীৰ কথা শেষ নৌহওঁতেই এজন বেপাৰী হেঁপাই-ফঁপাই তাত উপস্থিত হৈয়েই মহামন্ত্ৰীক প্ৰণাম কৰি ক’লে, “মহামন্ত্ৰী! কালি ৰাতি—মোৰ ঘৰৰপৰা দহ সহস্ৰ মুদ্ৰা চুৰি হ’ল। আপুনি যেনেতেনে মোৰ টকাখিনি উদ্ধাৰ কৰি দিয়ক।” এই বুলি কৈ, সেই বেপাৰীজনে হাতযোৰ কৰি দণ্ডমুণ্ডৰ অন্যতম কৰ্তা মহামন্ত্ৰীৰ আগত থিয় হৈ থাকিল।

তেতিয়া মহামন্ত্ৰীয়ে ওজাক ক’লে, “ওজা, আগতে টকাচোৰক ধৰা. পাছত হাৰচোৰৰ হাত-গুড়ি কৰা হ’ব।”

ওজাই তৎক্ষণাৎ জাঁপ মাৰি মাৰি মন্ত্ৰ মাতিবলৈ ধৰিলে: মট মট মট হুংঘট কট গণ্ডিয়া, ঘন্ন বিহট ৰণ্টিয়া—ইত্যাদি দুৰ্বোধ্য ভাষাৰে চিঞৰি চিঞৰি কেইফাকিমান মন্ত্ৰ উচ্চাৰণ কৰাৰ লগে লগেই এজন মানুহ ৰহাৰপৰা খৰ খাই পৰি ছটফটাই থাকিল আৰু কৈ থাকিল—“মৰিলোঁ ঐ! মোক মাৰি নেপেলাবা, মই দিম, টকাখিনি দিম, মোক বচোৱা—অ—অ!”

মহামন্ত্ৰীয়ে এইবাৰ ওজাক ক’লে, “ওজা, এইবাৰ হাৰ চোৰকো ধৰা।”

আৰু লগে লগে এজনী লিগিৰীয়ে মহামন্ত্ৰীৰ ভৰিত ধৰি কান্দি কান্দি ক’লে, “মহামন্ত্ৰী, মোক ক্ষমা কৰক। মই—মই হাৰডাল এতিয়াই ঘূৰাই দিম, মোক মাৰি নেপেলাব ওজাদেৌতা—বচাওক মোক।”

তেতিয়া সেই টকা-চোৰটো ৰাগৰ খোৱাৰপৰা ঘপকৈ উঠি থিয় হ’ল আৰু লগে লগে ওজা আৰু বেপাৰীয়েও তেওঁলোকৰ ছদ্মবেশ গুচালে।

মহামন্ত্ৰীয়ে পৰিকল্পনা কৰি তিনিজনক যথাক্ৰমে চোৰ, ওজা আৰু বেপাৰীৰ ভাও দিয়াই নৰৰত্ন হাৰ উদ্ধাৰ কৰিছিল।

আমাৰ দেশৰ বিচিত্ৰ কথা

লালকিল্লা



আমাৰ দেশৰ ৰাজধানী দিল্লী। দিল্লীৰ লালকিল্লা নামৰ দুৰ্গ জগৎবিখ্যাত। বহু গুৰুত্বপূৰ্ণ ঘটনাৰ সাক্ষী হিচাপে লাল-কিল্লা ইতিহাসত অমৰ হৈ আছে। সুবিখ্যাত ঐতিহাসিক ফাৰ্গুছনে লিখিছে 'লালকিল্লা কেৱল পূৰ্বদেশৰে নহয়, সমগ্ৰ পৃথিৱীৰ এক সমুজ্জ্বল দুৰ্গ। এই কিল্লা সকলোফালৰেপৰাই অতুলনীয়।'

সম্ৰাট শ্বাহজাহাঁ-ই [শ্বাহজাহান] অসংখ্য ঘটনাৰ স্মাৰক এই কিল্লাৰ ভিতৰত সুৰক্ষিত কৰি থৈছে। সম্ৰাট শ্বাহজাহাঁই তেওঁৰ সাম্ৰাজ্যৰ ৰাজধানী যেতিয়া আগ্ৰাৰপৰা দিল্লীলৈ স্থানান্তৰিত কৰিছিল, তেতিয়া এই কিল্লা নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। ১৬৩৮ খ্ৰিষ্টাব্দত আৰম্ভ হৈ দহ বছৰৰ অন্তত এই দুৰ্গৰ নিৰ্মাণকাৰ্য্য শেষ হৈছিল।

লালকিল্লা নিৰ্মিত হোৱাৰ পাছত কিমান যে ঘটনা-দুৰ্ঘটনা নঘটিল ! বাৰে বাৰে আক্ৰান্ত হ'ল, আক্ৰমণকাৰীইঁতে ধ্বংস কৰিলে বহুতো কিবাকিবি, ভূমিকম্পয়ো ভালেখিনি ধ্বংস কৰিলে; তথাপি আজিও লালকিল্লাই দিল্লীত সগৰ্বে মূৰ দাঙি থিয় হৈ আছে। লাহোৰ গে'ট হ'ল লালকিল্লাৰ অন্যতম বিস্ময়কৰ দ্ৰষ্টব্য।





এই কিল্লাৰ অন্যতম সম্পদ আছিল হীৰা-খচিত মহা মূল্যৱান ময়ূৰ সিংহাসন। শ্বাহজাহাঁ শয্যাশায়ী হোৱাৰ লগে লগে তেওঁৰ তৃতীয় পুত্ৰ ধূৰ্ত্ত আওৰংজেৱ সিংহাসনত অধিষ্ঠিত হোৱাৰ বাবে বলিয়াহেন হৈ উঠিল আৰু আওৰংজেৱে তেওঁৰ জ্যেষ্ঠভাতৃ দাৰাক বন্দী কৰিলে।

আওৰংজেৱে সিংহাসন অধিকাৰ কৰি-ছিল; কিন্তু অধিকাৰ কৰি ৰাখিব নোৱাৰিলে। আওৰংজেৱৰ আমোলৰ-পৰাই মোগল-সাম্ৰাজ্যৰ পতন আৰম্ভ হৈছিল। এই ছেগতে পাৰস্যৰ সম্ৰাট নাদিৰ শ্বাহই ১৭৩৯ খ্রিষ্টাব্দত দিল্লী আক্ৰমণ কৰিলে। তেওঁ এশ হস্তী লগত লৈ লালকিল্লাৰ ভিতৰত থকা মুহম্মদ শ্বাহৰ প্ৰাসাদ আক্ৰমণ কৰিছিল।





নাদিৰ শ্বাহৰ সৈন্যইতে দিল্লীত লুটপাত কৰাত দিল্লীৰ অধিবাসীবৃন্দই সৈন্যইতক মাৰি ভৈয়াম কৰাৰ বাতৰি পাই ক্ৰুদ্ধ নাদিৰ শ্বাহই দিল্লীৰ নিৰস্ত্ৰ অধিবাসী-বৃন্দক হত্যা কৰিছিল। আনকি শিশু-ইতকো বীভৎসভাৱে হত্যা কৰিছিল।

লালকিল্লাৰপৰা নাদিৰশ্বাহই অপৰিমিত ধন-সম্পদ হীৰা-মণি-মুকুতা আদি লৈ উভতি গ'ল। ১৭৮৮ খ্রিষ্টাব্দতো লালকিল্লা আক্ৰান্ত হৈছিল। কিন্তু তেতিয়া বিশেষ ধন-সম্পদ নোপোৱাত ক্ৰুদ্ধ হৈ আক্ৰমণকাৰী গুলাম খুদীৰে সম্ৰাট শ্বাহ আলমৰ চকু তৰোৱালেৰে খুচি খুচি উপাৰি পেলাইছিল।

১৮৫৭ খ্রিষ্টাব্দত আৰম্ভ হ'ল ইংৰাজৰ বিৰুদ্ধে চিপাহী বিদ্ৰোহ। মোগলৰ শেষ সম্ৰাট বাহাদুৰ শ্বাহই এই বিদ্ৰোহৰ সফলতাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। কিন্তু চিপাহী বিদ্ৰোহ ব্যৰ্থ হোৱাত ইংৰাজে সম্ৰাট বাহাদুৰ শ্বাহ জাফৰক মানদেশলৈ নিৰ্বাসিত কৰিছিল।

১৯৪৫ চনত সুভাষচন্দ্ৰ বসুৱে প্ৰতিষ্ঠা কৰা ভাৰতীয় জাতীয় বাহিনীৰ [আই. এন. এ.] বিচাৰ এই লালকিল্লাতে কৰা হৈছিল। ইংৰাজৰ দৃষ্টিত অপৰাধী-সকলৰ হৈ পণ্ডিত জবহৰলাল নেহৰু, চৰ্দাৰ বল্লভভাই পেটেল, আছফ আলি, তেজবাহাদুৰ ছাপ্ৰু, বুলাভাই দেশাই প্ৰমুখই এই বিচাৰত অংশ গ্ৰহণ কৰিছিল। কাকো শাস্তি দিয়া নহৈছিল।





১৯৪৭ চনৰ ১৫ অগাস্ট তাৰিখে ভাৰত স্বাধীন হ'ল। আমাৰ দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰলাল নেহৰুৱে লালকিল্লাত ভাৰতবৰ্ষৰ জাতীয় পতাকা সগৌৰৱে উত্তোলন কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পটভূমিকাত এই লালকিল্লাৰো অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ।



মিছা কথাৰ ঠেং

পাঁচশ বছৰৰ আগতে হাংগাৰি দেশত ধৰ্মাত্মা মাত্যাছ নামৰ এগৰাকী ৰজাৰ শাসনকালত ৰাজধানীৰ উপকণ্ঠত থকা গাঁও এখনত এজন ধনী মানুহ আছিল। এই ধনী মানুহজনে আন মানুহৰ আলৈ-আহুকাল দেখি বৰ ভাল পাইছিল। এওঁ মিছা কথা কৈ, আনক বিপাঙত পেলাই, বিপদত পৰা মানুহৰ দুখ দুৰ্দশা দেখিও তৃপ্তি অনুভৱ কৰিছিল।

এবাৰ এই ধনী মানুহজনে ৰাজধানীৰ পৰা এটা মোনাত ভালেমান সোণৰ মুদ্ৰা লৈ আহিল আৰু গাঁৱৰ চুবুৰীয়াসকলক ক'লে, "মই কুকুৰ কিছুমান বেচি এই সোণৰ মুদ্ৰাখিনি পালোঁ। আমাৰ ৰজাই সোণৰ পৰিৱৰ্তে কুকুৰ কিনে।"

ধনী মানুহজনৰপৰা এনে নাশ্ৰুত কথা শুনি দুখীৰো দুখী মানুহ এজনে ধনী মানুহজনক সুধিলে, "দেউতা, কথাখিনি— সঁচাসঁচিকৈ সঁচানে?"

"নহ'লে মই কিবা মিছা কথাৰে ভঁৰাল সাজিছোঁনে? মিছা কথাৰ যে ঠেং চুটি জানানে নাজানা? আমাৰ ৰজা মাত্যাছে কুকুৰ দেখিলেই হ'ল, তেওঁ সোণেৰে কিনিবই। মই মোৰ সকলো সা-সম্পদ বেচি, কুকুৰ কিনি আনি, সেই কুকুৰ বোৰ ৰজাক বেচি ঢেৰ ধন ঘটিলোঁ। তুমিও মন কৰিলে পাৰিবা। যিমান কুকুৰ লৈ যাবা, ৰজাই সিমানেই ভাল পাব।"

দুখীয়া মানুহজনে ধনী মানুহজনৰ কথা পৰিপূৰ্ণভাৱে বিশ্বাস কৰিলে। কিন্তু দুখীয়া মানুহজনৰ তো সা-সম্পদ বোলা একো নাছিল, আছিল কেৱল এজনী

গাই। কি আৰু কৰে সি? গাইজনীকে বেচি, কিছুমান কুকুৰ কিনি লৈ দুখীয়া মানুহজন ৰাজধানীলৈ গ'ল। কুকুৰবিলাক ৰাজধানীলৈ লৈ যোৱামাত্রেই ৰজাৰপৰা সোণৰ মুদ্রা পাব বুলি সি ভাবিছিল।

কিন্তু ৰজাৰ প্ৰহৰীহঁতে দুখীয়া মানুহজনক ৰাজপ্ৰাসাদত সোমাবলৈকো নিদিয়া হ'ল। তেতিয়া প্ৰহৰীহঁতক সি সকলো কথা খুলি-মেলি ক'লে। প্ৰহৰীহঁতে তাৰ কথা শুনি হাঁহি-খিকিন্দালি কৰি থাকিল। ধনী মানুহজনে যে তাক একেবাৰে ধুমুৰ মিছা কৈছিল, তেতিয়াহে দুখীয়া মানুহজনে ফটফটীয়াকৈ বুজি পালে। সি তেতিয়া কান্দি থাকিল। কথাটো ৰজাৰ কাণতো পৰিল। ৰজাই এই দুখীয়া মানুহজনক তেওঁৰ ওচৰলৈ লৈ যাবলৈ প্ৰহৰীহঁতক আদেশ দি পঠালে।

দুখীয়া মানুহজনে ৰজাক সকলো কথা সবিস্তাৰে ক'লে। শুনি ৰজা বৰ দুঃখিত হ'ল। ধনী মানুহজনে এইজন দুখীয়াক এনেকৈ প্ৰতাৰণা কৰাৰ কথা ৰজাই দুখীয়া মানুহজনক নক'লে। ৰজাই দুখীয়া মানুহজনক ক'লে, "মই কুকুৰ সঁচাসঁচিকৈ কিনিছিলোঁ, আৰু তোমাৰ কুকুৰবিলাকো কিনিম। তুমি বাৰু— তোমাক এই কথাটো কোৱা মানুহজনৰ নামটো ক'ব পাৰিবানে?"

তাৰ পাছত ৰজাই এশ সোণৰ মুদ্ৰাৰে দুখীয়া মানুহজনৰপৰা তাৰ কুকুৰবিলাক কিনি ল'লে আৰু সেই ধনী মানুহজনৰ নামটোও জানি ল'লে। তাৰ পাছত দুখীয়া মানুহজন গাঁৱলৈ উভতি গ'ল, আৰু কুকুৰ বেচি সি যে ৰজাৰপৰা এশ সোণৰ মুদ্ৰা পালে সেই গৌৰৱৰ কথা সকলোকে ক'লে।

দুখীয়া মানুহজনৰ কথা শুনি ধনী মানুহজন হতবাক হৈ পৰিল। দুখীয়া মানুহজনক ৰাম ঠগন দিয়া ভবা ধনী মানুহজন চন্দুৰা পৰা যেন হ'ল। মজাৰ

কথা যে সঁচা হ'ব, সেই কথা ধনী মানুহজনৰ কল্পনাতো ঢুকি পোৱা নাছিল।

তাৰ পাছত ধনী মানুহজনে নিজৰ সকলো সা-সম্পদ বেচি, তাৰে অসংখ্য কুকুৰ কিনি, ৰাজধানীলৈ গ'ল। ৰজাৰ প্ৰহৰীহঁতে তাক একোপধ্যে সোমাবলৈ নিদিয়া হ'ল ৰাজপ্ৰাসাদত। কিন্তু ৰজাই ধনী মানুহজনক তেওঁৰ ওচৰলৈ লৈ যাবলৈ প্ৰহৰীহঁতক আদেশ দিলে।

সেই ধনী মানুহজনে ৰজাক ক'লে, "মহাৰাজ, মই কুকুৰ বেচিবলৈ আহিলোঁ। আপুনি অসংখ্য কুকুৰ কিনিব বুলি শুনি মই ইমানবোৰ কুকুৰ লৈ আহিলোঁ।"

ৰজাই তাৰ নাম টো সুধিলে, আৰু নামটো শুনি বুজি পালে যে এই মানুহজনেই দুখীয়া মানুহজনক ভ'াৰিছিল। দুখীয়া মানুহজনৰ কুকুৰ বেচাৰ কথা শুনি ঈৰ্ষাৰ জুইত ডেই-পুৰি, ধনী মানুহজনে তাৰ সৰ্বস্ব বেচি যে কুকুৰ কিনি লৈ আহিছে—কথা বি কথা লৈ, সেই কথাৰ তু লোৱাৰ পাছত ৰজাই ক'লে, "তুমি তোমাৰ যথাসৰ্বস্ব বেচি মোৰ কাৰণে কুকুৰ কিনি অনাৰ কথা শুনি মই তোমাৰ শলাগ লৈছোঁ। কিন্তু দুখৰ কথা—মোৰ যিমানবোৰ কুকুৰৰ আৱশ্যক হৈছিল, ইতিমধ্যেই মই কিনি পেলালোঁ। এতিয়া আৰু মোক এটাও কুকুৰ নালাগে। গতিকে—তোমাৰ কুকুৰবোৰ কিনিব নোৱাৰি মই অত্যন্ত দুঃখিত।"

একেবাৰে জুৰুলা হৈ ধনী মানুহজন তাৰ গাঁৱলৈ উভতি গ'ল। আনৰ দুখত সুখ পোৱা ধনী মানুহজনৰ এই ঘটনাৰ কথা, ৰজাৰ ওচৰত কুকুৰ বেচি সেনীয়েদি সিঁচিবলৈ গৈ একেবাৰে বাটৰ ভিকহু হোৱাৰ কথা, তথা আনক ঠগিবলৈ গ'লে যে নিজেই ঠগ খাব লাগে—সেই কথা বহু কাল ধৰি দহোথন গাঁৱৰ লোকৰ মুখে মুখে প্ৰচাৰিত হৈ থাকিল।



নথকাই ভাল

কোনোবা এখন দেশৰ প্ৰজাবৰ্গৰ মাজত বৰ খেহৰোগৰ প্ৰকোপে দেখা দিছিল। দেশৰ বিভিন্ন প্ৰান্তৰপৰা ৰজাই বাতৰি পাইছিল যে কিমান প্ৰজা খেহ ৰোগত আক্ৰান্ত হ'ল, কিমানৰ মৃত্যু হ'ল ; কিন্তু ৰজাই এই বিষয়ত একো গুৰুত্ব প্ৰদান নকৰা হৈছিল।

অৱশেষত এদিন যক্ষাই ৰাজধানীতো ৰাজধানীৰ অধিবাসীবৃন্দৰ বক্ষ বিদাৰিবলৈ ধৰিলে। প্ৰায় প্ৰতিদিনেই কিছুমান মানুহ মৰিবলৈ ধৰিলে এই খেহৰোগৰ আক্ৰমণত। আৰু তেতিয়াহে গা আলগা ৰজাৰ গা আহিল। ভয়ংকৰ খেহৰোগৰ বিৰুদ্ধে খংশিঙা ৰজাবলৈ ৰজাই খৰলিপাক মাৰিবলৈ ধৰিলে। ৰজাই আৰোগ্যশালা নিৰ্মাণ কৰি, তাতে খেহৰোগত আক্ৰান্তইতক চিকিৎসা কৰাব বুলি ভাবিলে। এই আৰোগ্যশালা তেওঁৰ কুলগুৰুৰদ্বাৰাই উদ্বোধন কৰাৰ বুলিও ৰজাই খাটাং কৰিলে।

কুলগুৰু তেতিয়া ৰাজধানীত নাছিল। তেওঁ অৰণ্যত তপস্যা কৰি আছিল। ৰজাই অৰণ্যলৈ গৈ কুলগুৰুক লগ ধৰি ক'লে, "গুৰুদেৱ, খেহৰোগত আক্ৰান্ত বেমাৰীইতৰ কাৰণে মই এখন আৰোগ্যশালা নিৰ্মাণ কৰিলোঁ। আৰোগ্যশালাৰ উদ্বোধনৰ কৰিব লগে।"

ৰজাৰ কথাৰ উত্তৰত কুলগুৰুৱে ক'লে, "হে ৰজা, খেহৰোগত আক্ৰান্তইতৰ আৰোগ্য-শালাৰ উদ্বোধনৰ বাবে মই ভাগ নলওঁ; কিন্তু এনেবোৰ আৰোগ্যশালা বিলুপ্ত হোৱাৰ অনুষ্ঠান যদি কেতিয়াবা পাতা, মই সানন্দে ভাগ ল'ম।" কুলগুৰু পুনৰ ধ্যানমগ্ন হ'ল।

কুলগুৰুৱে কোৱা কথাখিনি অনুধাৱন কৰি ৰজাই বুজি পালে যে এই ভয়ংকৰ খেহৰোগ সমগ্ৰ দেশৰপৰা অনতিপলমে বিদূৰ কৰিব লাগিব—এয়ে হ'ল কুলগুৰুৰ নিৰ্দেশ। সেয়েহে আৰোগ্যশালা থকাতকৈ নথকাই যে ভাল—সেই কথাটি ৰজাই অনুভৱ কৰিব পৰা হ'ল।

উত্তৰ-ৰামায়ণ

৮

মহৰ্ষি অগস্ত্যাই বালী আৰু সুগ্ৰীৱৰ কাহিনী শ্ৰীৰামচন্দ্ৰক ক'বলৈ ধৰিলে ঃ

মেৰু পৰ্বতৰ উপৰিভাগ আছিল দেৱতাসকলৰ ওচৰত এক পৱিত্ৰ ঠাই। তাত এক বিৰাট অঞ্চলত আছিল ব্ৰহ্মাৰ সভাস্থলী।

এবাৰ ব্ৰহ্মা যোগাসনত থাকোঁতে তেওঁৰ চুচকুৰপৰা লোতক বাগৰি পৰিছিল ; সেই লোতকৰ এটি টোপালৰপৰা এটি বান্দৰ উপজিল। এই বান্দৰটিক ব্ৰহ্মাই তেওঁৰ নিজৰ ওচৰতে ৰাখিলে। মেৰু পৰ্বতস্থিত ফল-মূল খাই বান্দৰটো ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। ওৰে দিন ধৰি গছে গছে জঁপিয়াজঁপি কৰি, সন্ধ্যাকালত কিছু ফল আৰু ফুল লৈ বান্দৰটো ব্ৰহ্মাৰ ওচৰলৈ উভতি আহিছিল।

এইদৰে বহু কাল উকলিল। এবাৰ বান্দৰটো অত্যন্ত তৃষ্ণাৰ্ত হোৱাত মেৰু পৰ্বত উত্তৰ শিখৰলৈ গ'ল আৰু তাত এটা বিৰাট সৰোবৰ দেখা পালে। সেই সৰোবৰটোক অসংখ্য চৰায়ে চাৰিও-ফালৰপৰা আগুৰি ধৰিছিল। বান্দৰটোৱে সৰোবৰৰ পানীলৈ ভালকৈ লক্ষ্য কৰি সৰোবৰৰ পানীত নিজৰ প্ৰতিবিম্ব [ছাঁ] দেখি তাত কোনোবা শত্ৰু লুকাই থকা বুলি ভাবিলে আৰু শত্ৰুক পানীৰ তলৰপৰা বিচাৰি উলিয়াই আনিবলৈ পানীলৈ জঁপিয়াই পৰিল। কিন্তু পানীৰ তলত

‘সীতাপ-ৰিত্যাগ’

যেতিয়া শক্ৰুদশী আন কোনো বান্দৰক বিচাৰি নোপোৱা হ'ল, তেতিয়া সি পানীৰপৰা উঠি আহিল, আৰু লগে লগে সি এক নাৰীলৈ ৰূপান্তৰিত হ'ল।

ৰূপান্তৰিত নাৰীৰ ৰূপত যেতিয়া সৰোৱৰৰ তীৰত বান্দৰটো বহি আছিল তেতিয়া ব্ৰহ্মাক দৰ্শনৰ মনেৰে ইন্দ্ৰ আৰু সূৰ্য্য তালৈ গৈছিল। ব্ৰহ্মাক দৰ্শন কৰি উভতি অহাৰ অন্তত তেওঁলোকে এই নাৰীক দেখা পাই মোহিত হৈ পৰিল আৰু ভাল পাই পেলালে। তেওঁলোকৰ গভীৰ ভালপোৱাৰ ফলত এই নাৰী সন্তানৱতী হ'ল আৰু তাৰ কিছুদিনৰ পাছত এদিন এই নাৰীৰ গৰ্ভৰপৰা সুগ্ৰীৱ আৰু বালী উপাজিল।

প্ৰথমতে বালী, আৰু তাৰ পাছত সুগ্ৰীৱ উপজিল। ইন্দ্ৰই তেওঁৰ পুত্ৰ বালীক সুবৰ্ণপদ্মৰ ফুলমালা উপহাৰ দিলে, আৰু সূৰ্য্যাই তেওঁৰ পুত্ৰ সুগ্ৰীৱক উপহাৰ দিলে হনুমন্তৰ বন্ধুত্ব।

তাৰ পাছত বান্দৰটোৰ সেই নাৰীৰূপ লুপ্ত হ'ল। বান্দৰটোৱে তাৰ পূৰ্বৰূপ ঘূৰাই পালে। আগৰ ৰূপ ঘূৰাই পোৱাৰ পাছতো বান্দৰটোৱে তাৰ সন্তানহঁতক একেদৰেই মৰমেৰে লালন-পালন কৰি থাকিল।

পৰৱৰ্তীকালত এই বান্দৰটোৰ নাম হ'ল ঋক্ষৰজস। সন্তান দুটি ডাঙৰ হোৱাৰ পাছত ঋক্ষৰজসে তেওঁৰ নিজ ৰাজ্য কিষ্কিন্ধ্যালৈ গুচি গ'ল। তাত সিংহাসনত অধিষ্ঠিত হৈ তেওঁ এক বিৰাট উৎসৱ-অনুষ্ঠান পাতিলে। তেওঁ হ'ল সাতোটা দ্বীপত থকা বান্দৰহঁতৰ ৰজা।

মাতৃ আৰু পিতৃ ৰূপে ঋক্ষৰজসে নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল—এই কথা কৈ, মহামুনি অগস্ত্যই এই কাহিনীভাগৰ সামৰণি মাৰিলে।

শ্ৰীৰামচন্দ্ৰ সিংহাসনত অধিষ্ঠিত হোৱাৰ পাছত তেওঁ তেওঁৰ বহুদিনীয়া

সহচৰসকললৈ যথাযোগ্য মৰ্য্যাদা প্ৰদৰ্শন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলে। তাৰ পাছত সহচৰসকল একে একে বিদায় লৈ গুচি গ'ল।

ভৰতৰ সৈতে অহা জনকৰাজ আৰু লক্ষ্মণৰ লগত অহা কেকয় মহাৰাজো গুচি গ'ল গুচি গ'ল কাশীৰাজ প্ৰতৰ্দন আৰু অন্যান্য ৰজা-মহাৰাজবৃন্দ।

শ্ৰীৰামচন্দ্ৰৰ সৈতে অহা বান্দৰ আৰু ৰাক্ষসবৃন্দো হুমাহুমান অযোধ্যাত সুখে-স্বচ্ছন্দে অতিবাহিত কৰাৰ অন্তত গুচি যাবলৈ সাজু হ'বলৈ ধৰিলে। ৰাৱণৰ বিৰুদ্ধে যুদ্ধৰ কালত হনুমান আৰু সুগ্ৰীৱৰ অকল্পনীয় সহায়ৰ শলাগ লৈ যথাযোগ্য উদাৰ মৰ্য্যাদাৰে ৰামচন্দ্ৰই দুয়োকো বিদায়জ্ঞাপন কৰিলে। বিভীষণৰ লগ লাগি অহা ৰাক্ষসহঁতকো ৰামচন্দ্ৰই আন্তৰিকতাৰে বিদায় দিলে। এওঁলোক যথাক্ৰমে কিষ্কিন্ধ্যা আৰু লংকাপুৰীলৈ উভতি গ'ল।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই যথাযথ মৰ্য্যাদাৰে সৈতে সীতাৰ সৈতে বসবাস কৰিবলৈ ধৰিলে। কিছুদিন অন্তত সীতা সন্তান-সম্ভৱা হ'ল। তেতিয়া শ্ৰীৰামচন্দ্ৰই পত্নী সীতাক ক'লে, "সীতা, তুমি জননী হোৱাৰ কালত যদি কিবা বাসনা পূৰণ কৰিবলৈ বিচাৰাঁ, প্ৰকাশ কৰাঁ, মই সেই বাসনা পূৰাম।"

সীতাদেৱীয়ে ক'লে, "গংগাৰ তীৰত থকা ঋষিগণৰ আশ্ৰমত বৃক্ষজাত ফল খাই সেইবোৰ বৃক্ষৰ ছায়াত মোৰ ভ্ৰমি ফুৰাৰ বাসনা হৈছে।"

শ্ৰীৰামচন্দ্ৰই ক'লে, "তথাস্তু! কালিলৈ মই তোমাক তালৈ পঠিয়াই দিম।"

*

শ্ৰীৰামচন্দ্ৰৰ এগৰাকী অন্তৰংগ বন্ধু আছিল। এই বন্ধুগৰাকীৰ নাম ভদ্ৰ। এদিন শ্ৰীৰামচন্দ্ৰই তেওঁৰ বন্ধু ভদ্ৰক সুধিলে, "ভদ্ৰ, কিছুদিন ধৰি মোৰ মনত

এটা কৌতূহলৰ সৃষ্টি হৈছে এয়ে যে—মোৰ মাতৃ, পিতৃ, ভ্ৰাতৃ, পত্নী আৰু বিশেষকৈ মোৰ সম্পৰ্কে প্ৰজাবৰ্গই কেনেকুৱা মতামত পোষণ কৰে—সেই কথা জনাৰ বৰ মন গৈছে মোৰ। তুমি এই সম্পৰ্কে কিবা ক'ব পাৰিবানে?"

ভদ্ৰই হাতযোৰ কৰি ক'লে, "বন্ধু, প্ৰজাবৰ্গই আলোচনা-সমালোচনা কৰা বিষয়সমূহৰ মাজত সীতাদেৱীৰ অপহৰণৰ বিষয়টোৱেই প্ৰধান।"

ৰামচন্দ্ৰই ক'লে, "ভদ্ৰ, প্ৰজাবৰ্গৰ অভিমত জানিবলৈ মই অত্যন্ত আগ্ৰহী। প্ৰিয় হওক, বা অপ্ৰিয়, তুমি মোক ক'বলৈ দ্বিধা নকৰিবা।"

"হে ৰাম!" ভদ্ৰই কৈ থাকিলে, "সেতুৰদ্বাৰা সমুদ্ৰ-বন্ধন আৰু ৰাক্ষসৰাজ ৰাৱণৰ নিধন—এই দুটা বিষয়ত—প্ৰজাবৰ্গই তোমাক হিয়া উবুৰিয়াই শলাগিছে। কিন্তু ৰাক্ষসৰাজ ৰাৱণে অপহৰণ কৰি বন্দী কৰি ৰখা সীতাদেৱীৰ সম্পৰ্কে প্ৰজাবৰ্গৰ মনত যথেষ্ট সংশয়ে মূৰ দাঙিছে প্ৰজাবৰ্গৰ প্ৰশ্ন হ'লঃ এনেহেন এক কুৎসিত তথা গৰ্হিত ঘটনাৰ পাছতো বিনা প্ৰশ্নে সীতাদেৱীক সসন্মানে বৰণ কৰি লোৱাৰ অৰ্থ হ'ল কাপুৰুষতা। প্ৰজাবৰ্গৰ মাজত বা সকলোতেও এই কথা লৈ বু বু বা আৰু আন চলিছে।"

ভদ্ৰৰ কথা ব্যথিত শ্ৰীৰামচন্দ্ৰই মনৰ বেদনা প্ৰকাশ নকৰি তাত উপস্থিত থকা অন্যান্য বন্ধুসকলকো সুধিলে, "ভদ্ৰৰ এই কথা সত্যনে?"

ৰামচন্দ্ৰৰ প্ৰশ্নত সকলোটি তলমূৰ হ'ল।

তেতিয়া—বন্ধুসকলক বিদায় দি ৰামচন্দ্ৰই দুৱৰীক ক'লে, "লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নকো মাতি আনা।"

অলপ সময়ৰ পাছত তিনিও ৰামচন্দ্ৰৰ ওচৰলৈ আহিল। ৰামচন্দ্ৰই তিনিওকো বুকুত আঁকোৱালি লৈ নিৰ্দিষ্ট আসনত আথেবেথে বহুৱাই ক'লে, "অগ্নিপ্ৰমুখ

দেৱতাসকলে আৰু মযো অন্তৰত অনুভৱ কৰোঁ—সীতা নির্দোষী। সেইদেখিহে মই সীতাক পুনৰ অযোধ্যালৈ লৈ আহিছিলোঁ। কিন্তু প্রজাবর্গৰ মাজত সীতাৰ সম্পৰ্কে যিবোৰ কথা ঘুনুক-ঘানাককৈ ওলাইছে, সেই মনোভাৱ মোৰ পক্ষে যথেষ্ট অৱমাননাকৰ। মই আনকি প্রয়োজনত হেলাৰঙে প্ৰাণো বিসর্জিব পাৰোঁ; কিন্তু অপমান-অপবাদ সহ্য কৰিব নোৱাৰোঁ। সেয়েহে কওঁ, হে লক্ষ্মণ, তুমি সীতাক বাল্মীকিৰ আশ্রমলৈ লৈ যোৱা আৰু তাত সীতাক এৰি থৈ গুচি আহাঁ। এই বিষয়ত মোৰ এই নির্দেশেই শেষ নির্দেশ। প্ৰজাবৰ্গই কি ভাবিছে-নাভাবিছে. সীতাক একো কোৱাৰ আৱশ্যকতা নাই, মোৰে শপত। কিছুদিনৰ আগতে সীতাই ঋষিসকলৰ আশ্রম চাবলৈ যোৱাৰ তথা তাত ভ্রমি ফুৰাৰ বাসনা প্রকাশ কৰিছিল। তুমি সীতাৰ সেই বাসনা পূৰাবলৈহে তালৈ লৈ যোৱাৰ ভাও দিবা।”

এই বুলি কৈ. বেদনাগধুৰ ৰামচন্দ্ৰ অন্তঃপুৰলৈ সোমাই গ'ল।

পাছদিনা, উপজিপুৰাতে লক্ষ্মণ সুমন্ত্ৰৰ কাষ চাপিল। সুমন্ত্ৰক বহু কষ্টেৰে লক্ষ্মণে ক'লে, “আমাৰ জ্যেষ্ঠভ্ৰাতাই আমাৰ মাতৃসমা বৌক ঋষ্যাশ্রমলৈ লৈ যাবলৈ



নির্দেশ প্রদান কৰিছে। মই বৌৰে সৈতে এতিয়াই ৰাওনা হ'ম। তুমি তেওঁৰ বাবে যথাযোগ্য আসন পাৰি দিয়া।”

লক্ষ্মণৰ কথা শুনি সুমন্ত্ৰৰ মনত প্ৰশ্ন জাগিছিল; কিন্তু একো নকৈ সুমন্ত্ৰই ৰথ প্ৰস্তুত কৰিলে। দেৱৰ লক্ষ্মণে সীতাক ক'লেগৈ, “শুনিলোঁ আপুনি ঋষিগণৰ আশ্ৰম চাবলৈ অভিলাস প্ৰকাশ কৰিছে। সেয়েহে—ৰজাৰ নির্দেশক্রমে আপোনাক গংগা-তীৰস্থ ঋষ্যাশ্রমলৈ লৈ যাম।”

সীতাদেৱী লক্ষ্মণৰ কথাত পতিয়ন গ'ল আৰু আটকধুনীয়া সাজ-পাৰ তথা অলংকাৰাদি পৰিধান কৰি লক্ষ্মণৰ সৈতে



ঋষ্যাশ্ৰমলৈ বুলি ৰাওণা কৰিলে।

ৰথ যেতিয়া প্ৰচণ্ড গতিৰে গৈ আছিল, তেতিয়া গুটিদিয়েক কুলক্ষণ দৃষ্টিত পৰাত সীতাদেৱীয়ে লক্ষ্মণক সুধিলে, "মোৰ মনটো কিয় ক'ব নোৱাৰোঁ—বেয়া লাগি গৈছে। সকলোটি ভালে-কুশলে আছেনে?"

লক্ষ্মণে মনৰ দুখ মনতে সামৰি মুখত হাঁহিৰ ৰহণ সানি ক'লে, "হয়, সকলোটি ভালেই আছে।"

সন্ধ্যাকালত ৰথ গোমতীৰ তীৰত নামিলগৈ। তাত ৰাতি যাপন কৰি পাছদিনা দ্বিপ্ৰহৰবেলিকা তেওঁলোক গংগাৰ তীৰ পালেগৈ। আৰু লগে লগে লক্ষ্মণ বেদনা-কাতৰ হৈ পৰিল। লক্ষ্মণে কান্দিবলৈ ধৰিলে। বিস্মিতা সীতাদেৱীয়ে দেৱৰ লক্ষ্মণক সুধিলে, "লক্ষ্মণ, কথানো কি? তুমি কান্দিছা কিয়? মোৰ বাসনা পূৰ্ণ হোৱাত মই আনন্দিতা হৈছিলোঁ; কিন্তু তোমাৰ চকুলোৱে মোৰ সেই আনন্দ ধুই-মচি পেলালে। উত্তম, আজি ৰাতি ঋষিৰ আশ্ৰমত যাপি কালিলৈ প্ৰভাতে পুনৰ অযোধ্যালৈ বুলি ৰাওণা হ'ম। তুমি শান্ত হোৱাঁ, হে দেৱৰ লক্ষ্মণ!"

লক্ষ্মণে সীতাৰে সৈতে নাৱত উঠি গংগাৰ সিপাৰ পালেগৈ, তেওঁলোকৰ ৰথখন ইপাৰতে থাকিল।

গংগা পাৰ হোৱাৰ পাছত লক্ষ্মণে সীতাদেৱীক কৰযোৰে নমস্কাৰ কৰি ক'লে, "বৌ, ককাইদেৱে মোকেইনো এনে ভয়ানক কামটোৰ দায়িত্ব দিবলৈ পালেনে? এনেহেন পাপকৰ্ম কৰাতকৈ মোৰ পক্ষে মৃত্যুও আছিল শ্ৰেয়ঃ।"

সীতাদেৱীয়ে ক'লে, "হে লক্ষ্মণ! তোমাৰ কথাৰ অৰ্থ মই বুজিব পৰা নাই। তোমাৰ কথাত কিবা অজান ৰহস্য আছেনে? মোৰে শপত, সত্য উত্তৰ দিয়াঁ।"

এই কথাৰ উত্তৰত লক্ষ্মণে সীতাক ক'লে, "অযোধ্যাৰ প্ৰজাবৰ্গই নানান ধৰণৰ অপবাদ তোমাৰ নামত ৰটিছে।

এনে অপবাদ শুনি, প্ৰজাৰ কথাত গুৰুত্ব প্ৰদান কৰি, ককাইদেৱে তোমাক পৰিত্যাগ কৰিলে। তুমি যে নিৰ্দোষ-নিষ্কলংক, সেই কথা ককাইদেৱে নজনা নহয়; তথাপি প্ৰজাবৰ্গৰ ৰটনাৰ আগত তেওঁ মূৰ দোঁৱাবলগীয়া হৈছে আৰু তোমাক ইয়াত এৰি থৈ যাব লাগিব বুলি মোক তেওঁ আদেশ প্ৰদান কৰিছে। মই ৰাজাজ্ঞা পালন কৰিবলৈহে তোমাক লৈ আহিলোঁ। তুমি ঋষিগণৰ এই পুণ্যাশ্ৰমত থাকিবা। মহৰ্ষি বাল্মীকি হ'ল আমাৰ দেউতাৰ ঘনিষ্ঠ বন্ধু। তুমি ইয়াত ভালেই থাকিবা বুলি আশা কৰোঁ।”

এই ভয়ানক দণ্ডাজ্ঞাৰ কথা শুনি সীতাদেৱীৰ দুচকুৰেদি চকুলোৰ ধাৰ বৈ গ'ল। তেওঁ লক্ষ্মণক ক'লে, “হে লক্ষ্মণ, মই দুঃখলাভৰ কাৰণেহে জনমিলোঁ। এয়া হয়তো মোৰ পূৰ্বজন্মকৃত পাপৰ ফল। মই পতিদেৱতাৰ সৈতে অৰণ্যত থাকোঁতেও আনন্দ উপভোগ কৰিব পৰা নাছিলোঁ, তাৰ পাছত মোক দুষ্টাত্মা ৰাৱণে ধৰি লৈ গ'ল, তাত যে মই কেনেকৈ দিনবোৰ-ৰাতিবোৰ যাপিছিলোঁ, মইহে জানো। তুমি মোক এৰি থৈ গুচি যোৱাৰ পাছত যেতিয়া ঋষিগণে মোক সুধিব যে এনেকৈ এৰি থৈ গ'ল কিয়—মই কি উত্তৰ দিম, লক্ষ্মণ? মই যদি গংগাত আত্মজাহ দিওঁ, তোমালোকৰ বংশৰ দুৰ্নাম-দুৰ্যশ হ'ব; তোমাৰ কৰ্তব্য সমাপ্ত হ'ল, তুমি এতিয়া উভতি যোৱাগৈ। অযোধ্যালৈ উভতি যোৱাৰ পাছত সকলোটিলৈ মোৰ প্ৰণাম জনাবা। তোমাৰ জ্যেষ্ঠভাতৃলৈকো মোৰ প্ৰণাম থাকিল। তেওঁৰ বিপদ-বিঘিনিত তেওঁৰ কাষত থকা মোৰ কৰ্তব্য। কিন্তু মই এতিয়া অপাৰাগ। তেওঁক ক'বা, প্ৰজাবৰ্গৰ প্ৰশংসা আৰ্জিব পৰা কাম তেওঁ যেন সদা-সৰ্বক্ষণ কৰে। তাৰে তেওঁৰ কীৰ্তি যুগমীয়া হৈ থাকিব।”



জলকুঁৱৰী

বহুকালৰ আগৰ কথা। ধলৰগিৰি দেশৰ ৰজাই উদ্যানত ফুৰি থাকোঁতে প্ৰহৰী এজনে ৰজাক ক'লেহি, "মহাৰাজ, এজন নদীয়াল মানুহ আপোনাৰ দৰ্শনপ্ৰাৰ্থী।"

ৰজাই আমনি পোৱা যেন হৈ ক'লে, "নদীয়াল? কালিলৈ আহিবলৈ কোৱাগৈ।"

অলপ পাছত এজন যুৱক ৰজা বীৰবৰ্মাৰ আগত উপস্থিত হ'ল আৰু ক'লে, "মহাৰাজ! মোৰ নাম সিংহেশ্বৰ।"

ৰজা বীৰবৰ্মাদেৱে যুৱকৰ প্ৰতি তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, "তোমাৰ নাম সিংহশ্বৰ বুলি নকৈ গৰুড়েশ্বৰ বুলিও তুমি ক'ব পাৰিলাহেঁতেন। তুমি তোমাৰ নামটো ক'বলৈকে মোৰ ওচৰলৈ আহিলানে?"

"মোক ক্ষমা কৰক, মহাৰাজ! মই এটা অতি গোপন কথা ক'বলৈহে আপোনাক এনেকৈ আমনি দিছোঁ। আমাৰ দেশৰ সাগৰত মৎস্যকন্যা অৰ্থাৎ জল-কুঁৱৰী আছে।". সিংহেশ্বৰে ক'লে।

"জল-কুঁৱৰী! মৎস্যকন্যা!" ৰজা বীৰ-বৰ্মাদেৱে অবাক মানিলে।

"হয়, মহাৰাজ! আৰু—কেৱল থকাই নহয়, ক'ত কি ঘটিছে বা ঘটিব—সকলো কথা হেনো এই জল-কুঁৱৰীয়ে কৈ দিব পাৰে।" সিংহেশ্বৰে ক'লে।

"তোমাৰ কথা শুনি ধাৰণা হৈছে নেনিবা তুমি নিজেই জল-কুঁৱৰী সৈতে কথা পাতি আহিছা। বাৰু, জল-কুঁৱৰী দেখাতনো কেনেকুৱা? তুমি জল-কুঁৱৰীৰ সৈতে কথা পাতিছানে কেতিয়াবা?"

ৰজাৰ এই ধেমেলীয়া প্ৰশ্নৰ উত্তৰত সিংহেশ্বৰে যি ক'লে তাৰ সাৰমৰ্ম হ'ল:

নবীন মেধি

যোৱা পৰহিদিনা খোৱা-বোৱাৰ অন্তত সিংহেশ্বৰ হেনো সাগৰলৈ ওলাইছিল। হঠাৎ এজোপা গছৰ আঁৰৰ-পৰা সি নাৰীকণ্ঠৰ হাঁহিৰ শব্দ শুনি থমকি ৰ'ল আৰু পাছ মুহূৰ্তত এগৰাকী আচৰিত-আসৰিশ যুৱতীক দেখা পালে। এই যুৱতী দেখাত আছিল অৰ্ধ মানৱী আৰু অৰ্ধ মৎস্যৰ দৰে।

সেই বিচিত্ৰ নাৰীমূৰ্তিয়ে সিংহেশ্বৰক ক'লে, "ভূমিত ইমান বস্তু থাকোঁতেও তুমি সাগৰলৈ ওলাইছা কিয় ?"

সিংহেশ্বৰে জল-কুঁৱৰীক ক'লে, "ভূমিত কি আছে কি নাই মই দেখিছোঁৱেই। এতিয়া মই সাগৰ পৰিক্ৰমা কৰিম। কিন্তু তুমি সাগৰপৰা ইয়ালৈ আহিলা কিয় কোৱাচোন ? মানুহৰ জীৱনধাৰাৰ বিষয়ে তুমি কিমানকণ জানা ?"

জল-কুঁৱৰীয়ে হাঁহি হাঁহি ক'লে, "মই মৎস্যকন্যা হলেও মই পৃথিৱীখনৰ ক'ত কি ঘটিছে—সকলো কথা ক'ব পাৰোঁ।"

"এই মুহূৰ্তত আমাৰ ৰজাই কি কৰিছে কোৱাচোন ?" সিংহেশ্বৰে সুধিলে।

জল-কুঁৱৰীয়ে এপলকৰ বাবে চকু মুদি ক'লে, "ৰজাই পায়স দিবলৈ কৈছে।"

"তোমাৰ দেখা যে সঁচা কথা তাৰ প্ৰমাণ?

জল-কুঁৱৰীয়ে এই কথাৰ উত্তৰ নিদিয়াত সিংহেশ্বৰ গ'ল সাগৰলৈ।

গধূলিৰ আগে আগে সিংহেশ্বৰ সাগৰৰপৰা উভতি আহিল। জল-কুঁৱৰী তেতিয়াও তাতে বহি আছিল। সিংহেশ্বৰক জলকুঁৱৰীয়ে ক'লে, "ৰাণীয়ে তোমালোকৰ ৰজাক ভেড়াৰ মাংস খাবলৈ কৈছে, ৰজাই নাখায়। খোৱা-বোৱাত তোমা-লোকৰ বাছ-বিচাৰ বৰ বেছি। তেওঁৰ মতে—আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল খোৱা।" এই কথা কৈয়েই জল-কুঁৱৰীয়ে সাগৰৰ পানীত ডুব দিলে।

জল-কুঁৱৰীৰ কথা ভাবি ভাবি ৰাতি সিংহেশ্বৰৰ টোপনি নাহিল। জল-কুঁৱৰীৰ

কথাখিনি তাৰ ওচৰত মূল্যহীন; কিন্তু ৰজাৰ পক্ষে মূল্যৱান হ'ব বুলি সিংহেশ্বৰৰ ধাৰণা হ'ল। জল-কুঁৱৰী যদি ৰজাৰ ওচৰত থাকে, তেনেহ'লে ৰজাই তেওঁৰ বিৰুদ্ধে যিকোনো চক্ৰান্ত-ষড়যন্ত্ৰৰ কথা জানিব পাৰিব, দেশৰ ক'ত কি হৈছে নহৈছে সেইবোৰ কথাও জল-কুঁৱৰীয়ে ৰজাক ক'ব পাৰিব—বুলি ভাবিহে সিংহেশ্বৰ ৰজাৰ ওচৰলৈ আহিছে।

সিংহেশ্বৰৰ কথা শুনি ৰজাই তৰধ মানিলে। তেওঁৰ খোৱা-লোৱাৰ খা-খবৰ যে জল-কুঁৱৰীয়ে কেনেকৈ জানিলে—ৰজাই বহু ভাবিও সেই কথাৰ আগ-গুৰি একো ধৰিব নোৱাৰিলে। কিয়নো তেওঁৰ খোৱা লোৱাৰ পৰত ৰাণীৰ বাহিৰে আন কোনো কেতিয়াও নাথাকে। পায়স খোৱাৰ কথা আৰু ভেড়াৰ মাংস নোখোৱাৰ কথা—দুয়োটাই সঁচা। জল-কুঁৱৰী নিশ্চয় অলৌকিক শক্তিসম্পন্ন। ৰজাই ভাবিলে।

জল-কুঁৱৰীৰ কথা ভাবি ভাবি ৰজা বহু সময়লৈকে মনে মনে থাকিল। সিংহেশ্বৰে ৰজাক নিমাত থকালৈ চাই ক'লে, "মহাৰাজ! মই এতিয়া বিদায় লৈছোঁ। অনুমতি দিয়ক।"

"বাৰু, যোৱাঁ। মই কালিলৈ তোমা-লোকৰ গাঁৱলৈ যাম।" ৰজাই সিংহেশ্বৰক এশ স্বৰ্ণমুদ্ৰা পুৰস্কাৰ হিচাপে দিলে।

পাছদিনা ৰজা বীৰবৰ্মাৰ কাৰণে সিংহেশ্বৰহঁতৰ সাগৰপৰীয়া গাঁৱত ঘৰ এটা সজা হ'ল। ৰাণীও তালৈ যাব। তাৰ কাৰণে বাটপথ ফু মাৰি ভাত খাব পৰা বিধৰ কৰি তোলা হ'ল।

সিংহেশ্বৰে ৰজা বীৰবৰ্মাক এঠাইলৈ লৈ গ'ল আৰু ৰজাক ক'লে, "মহাৰাজ, মই ইয়াত জল-কুঁৱৰীক দেখা পাইছিলোঁ।"

তাত ৰজা আৰু ৰাণী জল-কুঁৱৰীক দেখা পাবলৈ ৰৈ থাকিল; কিন্তু বহুতো পৰলৈকে ৰৈ থকাৰ পাছতো জল-কুঁৱৰীৰ চিন-মোকাম দেখা নাপালে।



স্থিৰ দৃষ্টিৰে চাই ক'লে, "তেনেহ'লেনো এইবোৰ কাণ্ড-কাৰ্খনা কৰিছিলা কিয় ? তোমাৰ স্বাৰ্থ কি আছিল ?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত সিংহেশ্বৰে যি ক'লে, তাৰ সাৰমৰ্ম হ'ল এনেকুৱা ঃ

ৰজা বীৰবৰ্মাৰ অন্তেষপুৰত কাম-বন কৰা লিগিৰী এজনীৰ নাম লৱঙ্গী। লৱঙ্গী সিংহেশ্বৰহঁতৰ গাঁৱতে থাকে। সিংহেশ্বৰৰ সৈতে লৱঙ্গীৰ সা-সম্পৰ্ক ভালেই আছিল। লৱঙ্গীৰ মাক-দেউতাকে সিংহেশ্বৰকে তাইক দিবলৈ বহু আগৰেপৰাই সন্মত হৈছিল। কিন্তু পাছত লৱঙ্গীহঁতৰ পাৰিবাৰিক অৱস্থা বেয়া হোৱাত লৱঙ্গীৰ দেউতাক সপৰিয়ালে গাঁও এৰি ৰাজধানীলৈ আহিল আৰু তাত সৰুসুৰা বেহা-বেপাৰ কৰি পেট প্ৰৱৰ্তাবলৈ ধৰিলে। লৱঙ্গীয়েও ৰজাৰ অন্তেষপুৰত কাম পালে।

ইমান দিনৰ অন্তত লৱঙ্গীৰ সৈতে সিংহেশ্বৰৰ বিয়াৰ দিন-ক্ষণ স্থিৰ হ'ল। বিয়ালৈ আৰু মাত্ৰ পোন্ধৰ দিন আছে। বিয়াৰ পাছত লৱঙ্গীয়ে সিংহেশ্বৰহঁতৰ ঘৰতে থাকিব লাগিব। সিংহেশ্বৰহঁতৰ গাঁৱৰপৰা লৱঙ্গীৰ মাক-দেউতাক থকা ৰাজধানীলৈ যোৱাৰ বাট-পথ অতি বেয়া, অহা-যোৱা কৰাটো বেছ কষ্টসাধ্য। এই বিষয়ে এক অভিনৱ প্ৰস্তাৱ দিলে।

আৰু এইদৰে একেৰাহে চাৰিদিন-চাৰিনিশা ৰজা অ ৰু ৰাণী তাতে জল-কুঁৱৰীৰ বাট চাই ৰৈ থাকিল—কিন্তু জল-কুঁৱৰীয়ে তেওঁলোকক দেখা নিদিয়া হ'ল। হতাশ ৰজা যেতিয়া ৰাজধানীলৈ গুচি যাবলৈ প্ৰস্তুত হ'ল, ঠিক তেতিয়াই সিংহেশ্বৰে ৰজাক ক'লে, "মহাৰাজ ! যদি অভয় দিয়ে, সত্য কথা এষাৰ কওঁ।"

"কোৱাঁ, নিৰ্ভ.য় কোৱাঁ।" ৰজাই ক'লে।

"মহাৰাজ ! জলকুঁৱৰী বোলা একোৱেই বাস্তৱত নাই, সকলো মোৰেই কল্পনা।" সিংহেশ্বৰে নম্ৰতাৰে ক'লে।

বীৰবৰ্মাদেৱে অবাক হৈ সিংহেশ্বৰলৈ

সিংহেশ্বৰে ক'লে যে ৰজাক যদি কেনেবাকৈ গাঁৱলৈ আনিব পৰা সম্ভৱ হয়, তেতিয়া বাট-পথ ভাল নহৈ নাথাকে।

"দেশৰ ৰজা তোমালোকৰ গাঁৱলৈ যাব কিয়? এখন ঘোকোট গাঁৱত যাবলৈ ৰজাই সময়েইবা পাব ক'ত? তেওঁৰ গৰজেইবা কি?" লৱঙ্গীয়ে ক'লে।

তেতিয়া সিংহেশ্বৰে ভাবি ভাবি আঁচনি এটি পাঙিলে। এয়া হ'ল তাৰেই ফল।

সকলো কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত ৰজাই সিংহেশ্বৰে সুধিলে, "মই যে ৰাণীক পায়স খোৱাৰ কথা কৈছিলোঁ, আৰু যে ভেড়াৰ মাংস খোৱাত অসন্মত হৈছিলোঁ সেইবোৰ কথা তুমি কেনেকৈ জানিলা?"

"এইবোৰ কথা এদিন কথাই কথাই মহাৰাণীয়ে লৱঙ্গীক কৈছিল, আৰু মোক কৈছিল লৱঙ্গীয়ে। এই কথা শুনাৰ পাছতহে জলকুঁৱৰীৰ কাহিনী মই সাজিব পাৰিছিলোঁ। মহাৰাজ, আপুনি আমাৰ গাঁৱলৈ পদাৰ্পণ কৰাত আমাৰ গাঁৱৰপৰা ৰাজধানীলৈ ৰাজআলি নিৰ্মিত হ'ল, নহ'লে হাজাৰ বছৰতো নহ'লহেঁতেন। মোৰ যদি কিবা অপৰাধ হৈছে—ক্ষমা কৰক, মহাৰাজ!"

ৰজা বীৰবৰ্মাই অলপ পৰলৈ ভাবি লৈ তাৰ পাছত ক'লে, "চোৰা সিংহেশ্বৰ, বিয়াৰ কাৰণে তোমাৰ এনে অপূৰ্ব অভিনয় দেখি মোৰ মনত এক নতুন চিন্তাৰ উদয় হৈছে। দেশৰ প্ৰজাবৰ্গৰ ক'ত অসুবিধা আছে—তাৰ খা-খবৰ লোৱাৰ বাবে প্ৰতিখন দেশৰ ৰজাই কমেও বছৰেকত এমাহমান ঘূৰি ফুৰা আৱশ্যক। মই এতিয়াৰপৰা তাকে কৰিম। তুমি যে এইদৰে মোৰ চকু মুকলি কৰিলা, তাৰ বাবে ক্ষমা নহয়—অজস্ৰ ধন্যবাদহে তোমাৰ প্ৰাপ্য।" এই বুলি কৈ, ৰজাই তেওঁৰ ডিঙিত থকা বহুমূল্য হাৰ সিংহেশ্বৰৰ ডিঙিত পিন্ধাই দিলে।



কলিযুগৰ কথকতা

৩

গাঁৱৰ মাতব্বৰ-মুধাফুটা 'হোৱা সত্ত্বেও যিহঁতে বেয়া কাম কৰে, সিহঁতৰ মাজত দুবিধৰ মানুহ থাকে। এবিধ হয় অলপ ভাল, এবিধ একেবাৰে বেয়া। বেয়াহঁতে গাঁৱৰ ৰাইজ-সাধাৰণক সদায় মিছা কথা কয়, ৰাইজৰ কেনেবাকৈ কিবা ভাল হ'লে সিহঁতেই সেই ভালৰ বাবে কৃতিত্ব দাবী কৰে, আৰু ৰাইজৰ কষ্টাৰ্জিত ধনৰ ওপৰত আয়মেৰে বহি খোৱা হয়।

আৰু—আনবিধে ৰাইজক নানান ৰকমে কষ্ট দিয়ে। প্ৰথমৰ ফালে এনেবোৰ মাতব্বৰক ৰাইজে ভয় কৰে; কিন্তু পাছত সিহঁতৰ প্ৰকৃত ৰূপ যেতিয়া ফুটি ওলায়, তেতিয়া ৰাইজ সিহঁতৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে। কিয়নো, বহু কাল ধৰি বহু মানুহক ঠগিব নোৱাৰি, আৰু সেয়েহে ঠগ খোৱা ৰাইজে এদিদ নহয় এদিন ঠগ-প্ৰৱঞ্চকহঁতক নাগেৰাপিটাৰে আদৰে!

এনেকুৱা এক পৰিস্থিতিৰ মাজেদি অজলাগাঁৱৰ ৰাইজো এদিন বিদ্ৰোহী হৈ উঠিছিল। গাঁৱৰ মাতব্বৰ সেই সিয়ান গিয়ানী মানুহ দুটা অতি দুষ্ট হোৱাত সিহঁতৰ ল'ৰা দুটাও হৈছিল তেনেকুৱাই। সিহঁত দুটা সৰুৰেপৰাই দুষ্ট প্ৰকৃতিৰ। সিহঁতে বিভিন্নভাৱে গাঁৱৰ ৰাইজ জ্বলা-কলা কৰিবলৈ ধৰিলে।

দুই মাতব্বৰৰ দুই পুতেকৰ মাজত ইম্মান যে হৰিল-গৰিল! সিহঁত দুটাই, আনকি বেয়া কামবোৰো একেলগেই কৰিছিল। আনৰ গছৰপৰা নাৰিকল, আম, লিচু, মধুৰিআম চুৰ কৰি খাইছিল, আনৰ ঘৰৰ চালত দলি মাৰিছিল, গাঁৱৰ

কণ কণ ল'ৰা-ছোৱালীহঁতক মাৰ-পিটে কৰিছিল—আৰু যে কত কি।

তাৰ ফলত গাঁৱৰ ৰাইজে মাতব্বৰ দুটাক কৈছিলগৈ সিহঁতৰ ল'ৰা দুটাৰ এনেবোৰ উৎপাতৰ কথা। তেতিয়া সিয়ান দুটাই গিয়ানীৰ ভাও জুৰি সিহঁতৰ পুতেক দুটাক কৈছিল, "বোলোঁ ঐ অজীনপাতকীহঁত, তহঁতে লোকৰ গছৰ চুৰি কৰিছ কিয় ? এইবোৰ এৰ। এৰি— লোকৰ ঘৰৰপৰা গাখীৰ, লৱণু আদি চুৰ কৰি খাই থাক। তেতিয়া ৰাইজক আমি আন ধৰণে বুজাব পাৰিম, নানান কথা কৈ সিহঁতক সেও কৰিব পাৰিম, ভাঁৰিব পাৰিম। বুইছ নহয় ?"

আৰু পিতৃ-বাধ্য পুতেকদ্বয়ে পাছ-দিনাৰেপৰাই সেই গাঁৱৰ ইচুবুৰি-সিচুবুৰিৰ লোকৰ ঘৰৰপৰা দৈ, গাখীৰ মাখন চুৰি কৰি পুৰীনাশ কৰি থাকিল। কিছুদিনত অন্তত ৰাইজ পুনৰ উগ্ৰ হৈ উঠিল। ৰাইজৰ অভিযোগৰ বাবে সিয়ান গিয়ানী দুটা সাজু হৈয়েই আছিল। সিহঁতে ৰাইজক এঠাইত গোট খুৱাই লৈ ক'লে, "শুনা, আমাৰ নাওমান ল'ৰা দুটি আচলতে কৃষ্ণৰ অংশ। কৃষ্ণই যে সৰুকালৰেপৰাই উৎপাত কৰি ফুৰিছিল, তোমালোকে জানাই নহয় ? কৃষ্ণ অতিপাত দুষ্ট আছিল, সদাসৰ্বক্ষণ দুষ্টালি কৰি ফুৰিছিল। আৰু—আমাৰ কণমানি দুটি যিহেতু আচলতে কৃষ্ণৰ অংশ, দুষ্টালি-নষ্টালি কৰি নুফুৰি কি মানুহ খুন কৰি ফুৰিব ! কৃষ্ণৰ উৎপতীয়াকাণ্ড অসহনি হোৱাত গোপিনীহঁতে কৃষ্ণৰ নামত অভি-যোগ কৰিছিল ; কিন্তু সেই বুলি কৃষ্ণৰ ইচ্ছাৰ বিৰুদ্ধে কোনেও কিবা কৰিব পাৰিছিলনে ? কাৰো বাৰু তেনে দাঁত আছিলনে ? —এতেকে, তোমালোক এই সামান্য কথাত চিন্তিত হৈ সৎ উৰ্পদেশ অমান্য নকৰিবা। তোমালোকে নাজানিলা কৃষ্ণক, নাশুনিলা ভাগৱত। বাৰু,

আজি গধূলিতে ভাগৱত পাঠ শুনিবলৈ আহিবাচোন।”

সেইদিনাৰপৰা প্ৰতিদিনেই সন্ধ্যাকালত ভাগৱত পাঠ আৰম্ভ হ'ল। গাঁৱৰ সক ডাঙৰ সকলোটিয়েই দলে-বলে আহিছিল ভাগৱত-পাঠ শুনিবলৈ। এইদৰে, বহু দিন ধৰি ভাগৱত-পাঠ শুনাৰ অন্তত ৰাইজৰ মাজত কিছুমানৰ মনত বিভিন্ন প্ৰশ্নই মূৰ দাঙিছিল, কিছুমান কথাত সন্দেহৰো সৃষ্টি হৈছিল। যেনে—তেওঁলোকৰ মাজত কিছুমানে ভাবিছিল: শ্ৰীকৃষ্ণই লৰণু চুৰ কৰিছিল, হয়; গোপিনী সৱক জলা-কলা কৰিছিল, হয়: কিন্তু কৃষ্ণই ভাল ভাল কামো কিছুমান কৰিছিল দেখোন। কৃষ্ণই কালীয়-দমন কৰিছিল, গোবৰ্ধন পৰ্বত উপাৰি পেলাইছিল; কিন্তু আমাৰ মাতব্বৰহঁতৰ পুতেকহঁতেনো কি কৰিছে? কেৱল বেয়া কাম—চুৰি-তাৰি কৰি কৰি গভাইত হোৱাৰ সেন্দুৰীয়া আলিলৈহে আগবাঢ়িছে।

ৰাইজে তেওঁলোকৰ মাজৰ বসিয়ালসকলক এইবোৰ কথা ক'লে। বসিয়ালসকলে সেপ ঢুকি ঢুকি ক'লেগৈ গাঁৱৰ গিয়ানী জুটাক। শুনি এটা গিয়ানীয়ে ক'লে, “ঠিক আছে, তোমালোকৰ কথা আমি শুনিলোঁ, এতিয়া আমাৰ কথা শুনা। আমি একেৰাহে এদিন-এনিশা তপস্যা কৰি, ধিয়ানত বহি, যি জানিব পাৰিম, তোমালোকক মতাই অনাই ক'ম।”

বয়সিয়ালসকল গুচি যোৱাৰ পাছত ইটো ধূৰ্ত্তই সিটোক ক'লে, “আমাৰ ল'ৰাহঁতে এতিয়া আৰু আমাৰ কথালৈ কেৰেপো নকৰিব, লেঠুহে দেখুৱাব! অৱস্থা বৰ বিষমেই হ'ল দেখিছোঁ। আচল কথা হ'ল—সেই কি বোলেনে—পুৰাণ। পুৰাণৰ পুৰণা কথা বৰ্জন কৰিব লাগিব। কিয়নো, পুৰাণৰ কথা শুনি শুনি ৰাইজে এতিয়া সকলো কথা-কাণ্ড চালি-জাৰি চাব-ভাবিব-গুণিব পৰা হৈ

উঠিছে। বেটাহঁতে এতিয়া দুষ্টক দমন শিষ্টক পালনৰ কথাও ক'ব পৰা হৈছে। কোনেও আৰু আগৰ দৰে আমাৰ মুখৰ কথাকে বেদৰ বচন বুলি নমনা হৈছে। গতিকে—আৰু পুৰাণ নাগাওঁ-নকওঁ।"

তাৰ পাছত দুই ধূৰ্তই এক মন হৈ চিন্তা-চৰ্চা কৰি কৰি, ভাগৰি পৰি, ঘোটে ঘোটে পানী খাই, অৰশেষত পাছদিনাৰে-পৰা গাঁৱৰ ৰাইজক 'জয়-বিজয়'ৰ কাহিনী ক'বলৈ ধৰিলে ঃ

"জয় আৰু বিজয় আছিল বৈকুণ্ঠত বিষ্ণুৰ দ্বাৰাপাল। দ্বাৰাপাল মানে—দুৱৰী। যি কি নহওক, এবাৰ সনক আৰু সনন্দ প্ৰমুখ ঋষিগণ বিষ্ণুক দৰ্শনৰ বাবে বৈকুণ্ঠলৈ গ'ল। কিন্তু জয়-বিজয়ে ঋষিসকলক ক'লে, "এতিয়া দৰ্শনৰ সময় নহয়। অলপ সময়ৰ ৰ'ব লাগিব।"

জয়-বিজয়ে বাধা দিয়াত ঋষিসকলে সিহঁতলৈ অভিশাপ দিলে। ৰাক্ষস হোৱাৰ অভিশাপ।

ঋষিসকলৰ অভিশাপৰ কথা শুনি বিষ্ণুৱে জয়-বিজয়ক ক'লে, "জয় আৰু বিজয়, তোমালোকৰ কোনো দোষ-ত্ৰুটি নাছিল এই কথাত। পিছে—ঋষিগণৰ অভিশাপ ফলৱতী হ'বই। যি কি নহওক—তোমালোকে ৰাক্ষস হৈ উপজিও যদি সৎ কৰ্ম কৰাঁ, একেৰাহে সাতো জনম ধৰি ৰাক্ষস হোৱাৰ অন্তত হে পুনৰ



মোৰ ওচৰলৈ আহিব পাৰিবা। কিন্তু ৰাক্ষস হৈ যদি দুৰাত্মাইঁতৰ দৰে কৰি থাকাঁ, তেনেহ'লে তিনিবাৰ ৰাক্ষস জন্মৰ অন্তত মোৰ ওচৰলৈ উভতি আহিব পাৰিবা। এতিয়া কোৱা, তোমালোকে কি কৰিবা।"

জয়-বিজয়ে কৈছিল, "হে প্ৰভু, তোমাক এৰি আমি সাত জনম কটাব নোৱাৰিম। লোকে আমাক দুৰাত্মা বুলি কওক, তথাপি সোনকালে উভতি আহিম।"

তাৰ পাছত—জয়-বিজয় সত্যযুগত হিৰণ্যকশিপু; ত্ৰেতাযুগত ৰাৱণ, কুম্ভকৰ্ণ; দ্বাপৰযুগত শিশুপাল, আৰু পৰিশেষত বিষ্ণুৰ ৰূপ ধাৰণ কৰিছিল।

জয়-বিজয়ৰ কাহিনী ইমানলৈকে কোৱাৰ অন্তত ধূৰ্ত গিয়ানী দুটাই পুনৰ ক'লে, "—কিন্তু এয়া হ'ল কলি। কলিযুগ। কলিযুগত যেনে-তেনে খ্যাতিমন্ত হোৱাৰ প্ৰৱণতা অধিকভাৱে দেখ যায়। সেয়েহে আমাৰ কুমলীয়া ল'ৰা দুটিৰ উৎপতীয়া দিনবোৰ শেষ নোহোৱালৈকে সিহঁত বিষ্ণুৰ মাজত লীন হ'ব—মানে—মিলি যাব নোৱাৰিব। আমাৰ দুৰ্ভাগ্য—বা সৌভাগ্য—যিয়েই নহওক, জয়-বিজয়ে কলিযুগত অন্য নামত জনম হৈছে। স্বয়ং বিষ্ণুৰ ইচ্ছাত যি ঘটনা ঘটিছে, তাৰ ওপৰত আমাৰ মাত মতাৰ দাঁত নাই। এতেকে—যদি আমাৰ ফুলকোমল ল'ৰা দুটিক শাসন কৰোঁ, দৰাচলতে বিষ্ণুকহে শাসন কৰা হ'ব। এতিয়া—তোমালোকেই কোৱা, আমি আমাৰ পিয়াহদঁতা ল'ৰা দুটিক কঠোৰ শাস্তি কিবা দিওঁনে?"

"সকলো কথা-কাণ্ডয়েই যেতিয়া বিষ্ণুৰ ইচ্ছাত হৈছে—আমাৰনো কৰিব বা ক'বলগীয়া কিটো আছে আৰু? সময় মতে বিষ্ণুৱেই ব্যৱস্থা লওক তেন্তে।" ৰাইজে একমত হৈ ক'লে।

তাৰ পাছৰপৰা অজলা গাঁৱৰ মূধাফুটা

গিয়ানীহঁতৰ অগিয়ান-টলকা ফুলকোমল ল'ৰা দুটিয়ে সিহঁতৰ ইচ্ছামতে অত্যাচাৰ চলাই থাকিল আৰু সেই বিখ্যাত গাঁৱৰ ৰাইজে বিঞ্চুৰে কি কৰে তাকে চাবলৈ অত্যাচাৰ সহিও ৰৈ থাকিল। তেতিয়া এই মহা বদমাছ দুটাকে ৰাইজে জয়-বিজয় বুলি ক'বলৈ ধৰিলে। ডাঙৰ গিয়ানীৰ ল'ৰাটোৰ নাম জয়, আৰু সৰুগিয়ানীটোৰ নাম হ'ল বিজয়।

কলিযুগৰ কোমল ল'ৰা জয়-বিজয় তেতিয়া বিছ বছৰীয়া। এইদৰে, ফুল-কোমল বিছ বছৰীয়া দুটাৰ বিষ সহ্য কৰিব নোৱাৰি গাঁৱৰ ৰাইজৰ গাত সাত-কুৰা জুই জ্বলিল। তথাপি অত্যাচাৰ চলিল।

আৰু এনেতে এদিন এইখন গাঁৱত অচিনাকি যুৱক এজন আহিল। এই যুৱকজনো আছিল বিছ বছৰীয়া। সি বহি আছিল বাটৰ দাঁতিত এজোপা গছৰ ছাঁত। বাটেদি গৈ থকা গাঁৱলীয়া এজনক যুৱকে ক'লে, "হেৰি ডাঙৰীয়া, মই এজন বিদেশী পথিক, আজি ৰাতি আপোনাৰ ঘৰত আলহী হ'ব পাৰোঁনে ?"

"আমাৰ গাঁৱৰ গিয়ানী দুজনৰপৰা মতামত নোপোৱালৈকে মই একো ক'ব নোৱাৰিম।" গাঁৱলীয়া মানুহজনে ক'লে। তাৰ পাছত এগাৰাকী তিৰোতাই পানীৰ কলহ লৈ যোৱা দেখি যুৱকে ক'লে, "পিয়াহত মোৰ অণ্ঠকণ্ঠ শুকাই গৈছে,

অলপ পানী দিবনে ?"

তিৰোতাগৰাকীয়ে ক'লে, "আমাৰ গিয়ানীদেউতাহঁতক নুসুধিনো পানী দিওঁ কেনেকে' ? যদি পাপে ছোৱে ?" এই বুলি কৈ তিৰোতাজনী খৰধৰকৈ গুচি গ'ল।

গৈ গৈ এঠাইত কান্দোনৰ শব্দ শুনি যুৱক ৰ'ল। ওচৰৰে এটা ঘৰৰ চোতালত এটি সৰু ল'ৰাক ঢাৰি পাতি শোৱাই থোৱা হৈছে। ল'ৰাটিক আগুৰি ধৰি চৈধ্য-পোন্ধৰজনমানে কান্দিছে।

অচিনাকি যুৱকে মানুহকেইজনক সুধিলে, "আপোনালোকে কান্দিছে কিয় ?"

এই কথাৰ উত্তৰ সকলোটিয়ে আকাশলৈ আঙুলিয়ালে। অচিনাকি যুৱকে ল'ৰাটিক পৰীক্ষা কৰি ক'লে, "ল'ৰাটো দেখোন জীয়াই আছে। মই দৰব দিছোঁ, সি ভাল হৈ উঠিব।"

লগে লগে এজনী তিৰোতাই কৈ উঠিল, "আমাৰ গাঁৱৰ গিয়ানী দেউতাহঁতে দৰব দিছিল ; কিন্তু আমাৰ পাপ বেছি হোৱাত দৰবে গুণ নিদিলে।"

যুৱকে কৈ উঠিল, "ধেত্তেৰি পাপ— ! পাপ হ'লে পৰাচিত মই কৰিম বাৰু, তথাপি এটি সৰু ল'ৰা মৰি যাব—এই কথা হ'বলৈ নিদিওঁ।"

তথাপি সকলোটিয়েই প্ৰাণপণে বাধা দিয়াত যুৱকে গম্ভীৰ কণ্ঠেৰে , ক'লে "তোমালোকৰ গিয়ানীদেউতাহঁতে কাকো বাধা দিবলৈ কৈছিল জানো ?"

যুৱকৰ কথা শুনি সিহঁতে পৰস্পৰক ক'লে, "কথা—হওঁতে সঁচা। গিয়ানী দেউতাহঁতে এনেকুৱা কোনো কথা আমাক কেতিয়াও কোৱা নাছিল। ঠিক আছে, গজা ঐ,—ভজা ঐ, যাচোন যা—লৰি যা—গিয়ানী দেউতাহঁতক একেলৰে সুধি আহগৈচোন। যা—যা—"

এই বুলি কোৱাৰ লগে লগে গজা আৰু ভজাই লগালে লৰ। [অহা সংখ্যাত

পিৰান্‌হা

দক্ষিণ আমেৰিকাৰ নৈবোৰত পিৰান্‌হা নামৰ এবিধ হিংস্ৰ মাছ আছে। পিৰানহা মাছ আছে ষোলবিধৰ। তাৰে চাৰিবিধে আনকি মানুহকো ধৰি খায়। এই চাৰিবিধৰ পিৰান্‌হা একেলগে হাজাৰে হাজাৰে দল বান্ধি নৈত ঘূৰি ফুৰে।



বৰষুণৰ ধুন

হাওৱাই দ্বীপৰ ওৱাই অলে-অলে পৰ্বতাঞ্চলত বছৰি ৩৩৫ দিন বৰষুণ দিয়ে। এই অঞ্চলত বছৰি আনুমানিক ৪৮৬·১ ইঞ্চি বৃষ্টিপাত হয়।

চকুলো নহয়, তেজলো

আমেৰিকাৰ ভেকুলী এবিধে চকুৰে তেজ উলিয়াব পাৰে। এইবিধ ভেকুলীয়ে তাৰ দেহৰ তেজখিনি মূৰত গোটাই ইমান তীব্ৰ গতিৰে চকুত আনিব পাৰে সে মুহূৰ্ততে চকুৰ মাজেদিয়েই তেজ ওলাই আহে। আত্মৰক্ষাৰ কাৰণেহে এইবোৰ ভেকুলীয়ে এনেকুৱা আচৰণ কৰে বুলি কোৱা হয়।

চান্দমামা

চিত্তাকর্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশন কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্ভলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ককা-নাতিৰ খেলত মন দ্বিতীয় ফটো : শক্তি ডেকাৰ পৰম ধন

পুৰস্কাৰ প্ৰাপক : তৃষ্ণা দত্ত, নিৰ্মালী গাঁও, ডিব্ৰুগড়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026

নাইবা

Chandamama Publicatio ıs, Chandamama Building3, Vadapal—i, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

Goodness of nature's Honey in......
nutrine
Honeyfab
nutrine
Honeyfab
Delicious
naturally!
nutrine
India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8572

ৰাম আৰু শ্যাম
জংঘলত আদিবাসীৰ কবলত
PARLE
ৰামৰ মোমায়েক আৰু মামীয়েক এটা ধুনীয়া দ্বীপত থাকে, ৰাম আৰু শ্যামক বন্ধত তাত থাকিবলৈ মাতিলে।
কৌতুহল বশত তেওঁলোকে দ্বীপটোৰ যাত্ৰা কৰিলে, হাতত তেওঁলোকৰ ভাললগা পপিন্স।
হঠাৎ...
কাড় ?
কিন্তু কিয় ?
ZIP!
ZIP!
এই আদিবাসীসকলে নিশ্চয় আমাক ভয় কৰিছে।
আমি তেওঁলোকৰ লগত বন্ধু পাতিবৰ বাবে পপিন্সৰ পেকেট গাঠি কাড়ৰ সৈতে মাৰিম।
জেৰ্ভলিনৰ দৰে শ্যামে গছত লাগি থকা কাড় বোৰত পপিন্স লগাই মাৰিল।
POPPINS
লুকাই থকা আদিবাসী সকল লাহে লাহে ওলাই আহিল আৰু পপিন্স বোৰ বুটলিলে। তেওঁলোকে চুপিলে আৰু ভাল পালে।
বাহ !
বাহ !
আনন্দৰে তেওঁলোক আহি বন্ধুত্বৰে ৰাম আৰু শ্যামক সাৱতি ধৰিলে।
আমাৰ মৰমৰ বন্ধু
ৰাম আৰু শ্যামৰ হাতত যেতিয়া পপিন্স থাকিব তেতিয়া তেওঁলোকৰ বন্ধুৰ অভাৱ নহব।
পাৰ্লে
পপিন্স
ৰসাল·সোৱাদ·জুতিলগা
everest/86/PP/411-as